# সচিত্র প্রেমতী সংগীত।

শ্রীবিনন্দৰাম গগৈ প্ৰণীত।

টেঙ্গাখাট, আসাম।


সাহিত্য আশ্ৰমৰ পৰা প্ৰকাশিত

প্ৰথম তাঙৰণ।

এজেন্টস্
এজেন্সি কোম্পানী,
পোঃ আঃ বিহাবাৰি, আসাম।

কলিকাতা,
উইলিয়মস্ লেন, ৪ নং ভবনস্থ
দাস যন্ত্রে
শ্রীঅমৃতলাল ঘোষ কর্ত্তৃক ছপা হ'ল।

বেচ ৷৷০ আধলি এটি মাত্র।



# উচ্ছৰ্গা।



মোৰ মৰমৰ প্ৰেমাকাঙ্খী ডেকা

গাভৰু সকলৰ পবিত্ৰ

লাহৰি হাতত

প্ৰীতিৰ চিন

স্বৰূপে

আজ্ঞাধীন—

শ্ৰীবিনন্দৰাম গগৈ।









# সচিত্ৰ প্ৰেমতী সংগীত।

---

শ্ৰীশ্ৰীসৰস্বতী মাতাৰ শ্ৰীচৰণ ভৰসা।—

হায়, বিধি কিয় মোক স্ৰজিলি নৰৰ
কুলত পশুৰ জ্ঞান কৰি অৰপণ।
দিলি চকু সমুজ্জ্বল তথাপি অন্ধৰ
নিচিনাকৈ ফুৰোঁ। পথাপথ অদৰ্শন।
যেই ফালে যাঁও সেই ফালে খুণ্ডা-ভজা
খাই ঘূৰি ঘূৰি ফুৰোঁ। যেনে ৰাতি-কণা।
কাণেৰে শুনিছোঁ। মাথোঁ। কৰি বীণ বজা;
কিবা সুৰ কিবা জাত একো নাই জনা।
সুৰ বৃজা আদি গুৰু সৰগলৈ গ'ল;
বীণাৰ খোঁটনি হ'লে আজিলৈকে আছে।
সেই খোঁটনিকে ধৰি যত আছে বল,—
পৰকাশি ধৰোঁ। সুৰ সঞ্জীবনী লাচে।

কোন সুৰে ধৰোঁ। খোঁট একোকে নেজানো ;
নিফুট এলাগী সুৰ ধৰোঁ। যেনে তেনে।
জানিবা গগনা সুৰ। সুগুনি[illegible]নো
সাধাৰণে এবেলিও ? ভাব[illegible] এনে
—অবশ্যে শুনিব, হাতে বী[illegible]খোঁটনি
ধৰি দেখোঁ। কঁপে হাত থৰ্‌ থৰ্‌ বৰি
কিবা কৰোঁ। কিবা মেলোঁ। আহিছে চিন্তনি
দিয়া। বল বাগেদেবি। অনুগ্ৰহ কৰি
অজ্ঞান পুত্ৰক ; তেহে থিৰ হ'ব হাত
খোঁটনি থিৰেবে ধৰি বজাব পাৰিম।
কিয় হ'ল ইচ্ছা জানো অধম দেহাত
কাব্য বীণ হাতে লৈ বসত ভাহিম
সুললিত সুৰ ধৰি নিমজে বজাই।
মাতৃৰ কোমল হিয়া দ্ৰৱি বনে শুনি
অধমৰ দাড়বিয়া জেৰেঙা বীণাই
বাজিলে গগনা সুৰে। মূঢ় ভাবি গুণি।





জয় শিব আদি দেৱ
তোমা বিনা নাহি কেৱ
নমো দিব্য মুণ্ডমালা ধাৰী।
জয় শিব মহাদেৱ
তয়ু পদে কৰোঁ সেৱ
জয় জয় ভক্ত ভয় হাৰী॥
জয় জয় সদা শিৱ
তুমি সৰ্ব্ব জীৱ জীৱ
ব্যাঘ্র চৰ্ম্ম পৰিধানকাৰী।
জয় শিৱ বিশ্বনাথ
তয়ু পদে নমো মাথ
জয় জয় ত্রিলোচনধাৰী॥
জয় শিৱ বিশম্ভৰ
শয্যা তয়ু বাঘাম্বৰ
জয জয় জীৱ অন্তকাৰী।

জয় জয় কাশীপতি
তযু নামে পাপীগতি
জয় জয় দীৰ্ঘ জণ্টাধাৰী ॥
জয় শিৱ গুণাকৰ
হিমগিৰী অধীশ্বৰ
জয় জয় ঘোৰ শিঙ্গাধাৰী।
জয় শিৱ হতস্মৰ
গৌৰ দেহ দিগম্বৰ
জয় জয় নীলকণ্ঠধাৰী ॥
জয় শিৱ শূলধৰ
ফণী শোভে শিৰোপৰ
জয় সৰ্প অলঙ্কাৰধাৰী।
জয় শিৱ উমাপতি
সদাব্ৰহ্ম ময়মতি
জয় জয় কৈলাস বিহাৰী ॥
জয় শিৱ ভোলানাথ
ভস্মযোগে চৰ্ম্ম জঠ
জয় জয় শ্মশান বিহাৰী।
জয় শিৱ উমাকান্ত
কৰোঁ ধ্যান অবিশ্ৰান্ত
জয় হৰ পাৰ্ব্বতী বিহাৰী ॥

জয় শিৱ শুদ্ধমতি
ভূত পিশাচৰ পতি
জয় জয় ভুবন ভিক্ষাৰী।

জয় শিৱ গঙ্গাধাৰী
সিন্ধু পুনঃ মথকাৰী
জয় জয় দুখ অন্তকাৰী॥

জয় শিৱ মহেশ্বৰ
ভীম ভস্ম কলেবৰ
জয় হলাহল ভক্ষকাৰী।

জয় শিৱ পশুপতি
দক্ষযজ্ঞ অধোগতি
জয় জয় দৈত্য অন্ত কাৰী॥

জয় শিৱ বৃষে গতি
তুমি পৰব্ৰহ্মমতি
জয় জয় মৃত্যুঞ্জয়কাৰী।

জয় শিৱ আদি গুৰু
তযু নামে দাসে তৰোঁ।
জয় কৰোঁ। জীৱ অধিকাৰী॥

জয় শিৱ তযু নাম
জপে যেয়ে অবিশ্ৰাম
দিয়া মুক্তি অনুগ্ৰহকাৰী।
জয় শিৱ নৰমুণ্ড
গলে দোলে তুণ্ড তুণ্ড
কৰাঁ জয় ভক্ত ভয়হাৰী ॥



ঐৰে। বাতুল মন, কিবা ভাব ৰচনা কৰহে।
উপজিলোঁ জগতত কাহানিবা হ'ম গত
চিন্তা কৰি তাৰ একো নেপাও ঠিকনা।
চিন্তামণি এৰোৱাই দিম যাকে তাকে পাই
লগতেই যাব আছে যিমান ভাবনা ॥
ভাবিলে ভাবক পায় নেভাবিলে একো নাই
ভাবন্ত ভাৱনা এই জানিবাঁ নিশ্চয়।

ভাৱনা দেখিলে ভাল এটায়ে বুলিব ভাল
নাম থাকি যাব এই সংসাৰত ৰই ॥
হৰিপদ ভাবকৰ মিছা ভাবে কিয় মৰ
চিন্তা ডাইনীৰ মুখে লাগিব শৃঙ্খল।
প্ৰেমে হৰি বোলাঁ মুখে কি কৰিব চিন্তা দুখে
মনুষ্য জীবন হায়! মিছাতেই গ'ল ॥

---

# বৰ গীত।

প্ৰেমে পৰম ধন চিনিবাঁ সদাই!
শোক চিন্তা সবে এৰি প্ৰেমকে সাবটি ধৰি
থাক মন আনন্দ অন্তৰে।
কিবা শ্ৰম কিবা দুঃখ প্ৰেমতে সকলো সুখ
কিবা খেদ আছিব মন ৰে!
ধৰমে কৰমে সদা শৰমে ব্যসন প্ৰদা
হেন প্ৰেম একান্তে ধৰৰে।
মিছাৰ ভাবনা এৰ প্ৰেম কুঁ হিয়াৰ পেৰ
মুখৰ শালত মন ঐ ৰে।
হৃদয় থালিত ভৰি প্ৰেম ৰস ঝৰি ঝৰি
কিনো ভাব জন্মাব অন্তৰে।

প্ৰেমীকেহে প্ৰেমৰস পাব জ্ঞানা তাৰ সথ
প্ৰেমৰ মাচোন উঠি আহিব ৰে।
প্ৰেমৰ সঙ্গীত সুৰ হৃদি কৰ্ণে দিয়ে জুৰ
কিবা সুৰ নেজানো একোৰে।
তথাপিতো ঘৰ গীত বুলি কৰি উল্লিখিত
প্ৰকাশে মুকথ বিনন্দয় ৰে।

---

## গীত।

নাই নাই প্ৰয়োজন নাই নাই প্ৰয়োজন
নকৰঁ। নকৰঁ।, নকৰঁ। নকৰঁ।, আশা নকৰঁ।।
আমি ৰজাৰ নন্দন, নিলে কোনে সিংহাসন
হায় হায় হায়, হায়, দেখা দেখা ভাই
আৰু একো নাই।
কাল অগিনিয়ে পাই, কৰিলে শৰীৰ ছাই
দেখা দেখা ভাই।
কিবা পুত্ৰ কিবা আই, এটায়ে থাকিলে চাই
কৰি মাথোঁ। "হায় হায়"।
বিষম বিষাক্ত কায়, নহয় সৰ্ব্বদা স্থায়
জানি হৰি বোলাঁ। ভাই।

---



( সুৰ ৰামতালীয়া ।)

নেজানো পূজাৰ বিধি বন্দনা ২
আমি অতি অজ্ঞ জনে এ।
হে বাক্যেশ্বৰি। তোমাৰ চৰণ ২
কি দিনো কৰোঁ পূজনে এ?
পাণী দি চৰণ ধূৱাবলৈ চালোঁ ২
তালৈকো নিদিয়াঁ দেখা এ।
হাতেৰে গোহাৰি কৰিবলৈ চালোঁ ২
হাততো পথালি ৰেখা এ।
মুখেৰে কাকুতি কৰিবলৈ চালোঁ ২
মুখো মিছা ৰটি ফুৰে এ।
চিত দি চাঞ্চল্য কৰিম্ বা বুলিছোঁ ২
চিত্তো পাপ চিন্তা কৰে এ।

কি দিনো সন্তুষ্ট করিম বাকমাতা ২
দিবলৈ কি বস্তু আছে এ।
ৰচোঁ তব স্তব স্বৰ ব্যঞ্জনেৰে ২
পাপী মনে যিবা বাছে এ।
তাতেই সন্তুষ্ট হ'বা কবীশ্বৰি ২
কণ্ঠৌ পৰে লবা ঠাই এ।
তোমা বিনে আৰু সহায় সাৰথি ২
আৰু যে দিওঁতা নাই এ।

---

## স্তব্র।

অজ্ঞতানাশিনী, অঙ্ক, অমৰ স্বৰূপা।
অম্বৰোচ্ছাবিণী, মাতা দাসে কৰা কৃপা॥
আশাপৌৰ্ণী, ইচ্ছাভেদী, ঈশ্বত্বদায়িনী।
উচ্ছাসন দাত্ৰী, উৰ্দ্ধা, ঋতু সংস্থাপিনী॥
ঋকাৰিণী, ৯ ৰূপিণী. ৯ ভৱ ভাবিনী।
এই দাতা, ঐশ্বত্বিকা, ওষ্ঠা, ঔষধিনী॥
অংশ বিবেচিকা, মাতা তুমি অঃ পৰমা॥
কণ্ঠেশ্বৰী, খৰৰূপা, গতি নিৰোপমা॥

ঘ্নতেশ্বৰী, ঘণ্টাময়ী, ঙ শক্তিকাৰিকা।
চেষ্টাবিনী, ছঁয়ামযী, জীৱনী কালিকা॥
ঝঞ্ঝকৰ্ত্ৰী, ঞ শকতি, টং শব্দদায়িনী।
ঠকৰনাশিনী, বাকডৰ বিনাশিনী॥
ঢাকেশ্বৰী, ণত্বময়ী, তনু কান্তিবিনী।
থিৰতা শকতি, দম্যা, ধৰণী শোভিনী॥
নৰদাত্ৰী, পৰমাৰ্থী ফৰ কালৱতী।
বিদ্যোদৰী, ভাবময়ী, মসি শুদ্ধাৱতী॥
যজ্ঞৰূপা, ৰতময়ী, ললিতনয়নী।
—ৰন্তা—ৱলী—ৱতী—ৱত্ব সংযোগকাৰিণী॥
শান্তিনী শৰদ, শম্যা যন্ত্ৰাস্বৰূপিণী।
হৰিণাক্ষী, ক্ষমাত্মিকা, ক্ষমা বিকাশিনী॥
ক্ষীৰৰূপা, ক্ষান্তময়ী, কৰিও সহায়।
শুভাশুভ পথাপথ নিবা দেখুৱাই॥





## সবাহৰ গীত।

ঘোষা—হৰি এ ৰাম, হৰি ৰাম ৰাম। ১

পদ— নেজানো পূজাৰ বিধি বন্দনাৰ নীতি।
আমি অতি নৰাধম কিবা জানো ৰীতি॥ ৰগৰ
কিমতে পূজিম হায় বন্দিম কিমতে।
প্ৰণমিছোঁ মাতা ময় কোটি দণ্ডৱতে॥ ঘোষ

অতুল সৌন্দৰ্য্য হাতে বীণা সঞ্জীবনী।
খেলে সদা ছয় ৰাগ ছত্ৰিশ ৰাগিণী ॥ ৰগৰ
সিংখেলা ভাবিয়া মোৰ চমৎকাৰ হিয়া।
নিবেদিছোঁ মাতা মোক পদাশ্ৰয় দিয়া ॥ দোম
জাপত সাগৰ পাৰ হবলৈ আশ।
কিন্তু গরু খোজ দেখি বুদ্ধি সৰ্ব্বনাশ ॥ ৰং
আকাশত বনাবলৈ সদা মোৰ ভাব।
পাখী কথা দূৰে থ'ক লোমৰো অভাব ॥ দোঃ
হেন মোৰ আশা দেখি আকাশী কুসুম।
বিমানত ফুলি ফুলি হই জুমাজুম ॥ ৰঃ
বিদ্ৰূপে অনন্ত নিশা মই অধমক।
লোকে বোলে "তৰাবোৰে কৰে জকমক্"।
ইহেন বিদ্ৰূপ মোৰ নসহে পৰাণ।
অধম পৰাণ মোৰ গ'লে পাঁও ত্ৰাণ ॥ দোঃ
হৰিনাম লবলই কৰিয়াছোঁ আশ।
তব চৰণত জানো নকৰা নৈৰাশ ॥ ৰঃ
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম। (ক)
ক বুলি কলিযোগে ৰাম নাম সাৰ হে
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম।

খ বুলি খন্তেকতে কৰিব নিস্তাৰ হে
ৰাম ৰাম ৰাম হৰি ৰাম ৰাম।
গ বুলি গৰবত নেথাকিবা গুই। ঐ ঐ
ঘ বুলি দিয়া ঘাতি পাপে লাগক্ জুই॥ " "
ঙ বুলি ৰিঙ্ পাৰি চাৰি বেদে কয়। " "
চ বুলি চণ্ডালেও হৰি নাম লয়॥ " "
ছ বুলি ছত্ৰ ধৰি নিব অন্তিমত। " "
জ বুলি জ্বৰ ৰোগ সবে হ'ব হত॥ " "
ঝ বুলি ঝৰে ৰক্ষা কৰিবহি নামে। " "
ঞ বুলি চিঞৰিব নেলাগে অকামে॥ " "
অ' ৰাম হৰি।



ঘোষা—মাধৱ এ হে মধুৰিপু মধুৰিপু মুৰাৰি
ৰাম। ২

পদ— ট বুলি টলমল নকৰিবাঁ মন। (লাহেকৈ)
মধুৰিপু মধুৰিপু মুৰাৰি ৰাম। (ঐ)
ঠ বুলি ঠিক ৰূপে কৰিবাঁ ভ্ৰমণ॥
মধুৰিপু মধুৰিপু মুৰাৰি ৰাম।
ড বুলি ডৰনক—(ৰেগৰ দিয়াঁ) বৰকৈ
ৰিবাঁ একো নৰে হে (ঘোষাগোৰাঁ) ঐ
ঢ বুলি ঢলিয়াব—ৰগৰ দিয়াঁ) ঐ
চক্ৰধৰি কৰে হে (ঘোষা গোৰাঁ) ঐ
ণ বুলিগণ মালা নামে দিয়া লেখ। ঐ
ত বুলি তাৰি নিব বৈকুণ্ঠ প্ৰবেশ॥ ঐ
থ বুলি থিৰ মনে সবে লোৱাঁ নাম। „
দ বুলি দয়াময় কৃষ্ণ হৰি ৰাম॥ „
ধ বুলি ধৰ্ম্ম মূল সদা হৰি নাম। „
ন বুলি নৰকত পৰিত্ৰাণ পাম॥ „
প বুলি পৰম ধৰম হৰি নাম। „
ফ বুলি ফল পাবাঁ সিদ্ধ হ'ব কাম॥ „
ব বুলি বৈকুণ্ঠলৈ নামে হে সুপথ। „
ভ বুলি ভয় নাই নামেই সাৰথ॥ „

ম বুলি মনুষ্যৰ পাপে হ'ব গতি।
য বুলি যতে ততে নামে কৰাঁ মতি॥
ৰ ব্লি ৰাম নাম নেৰিবাঁ সদায়।
ল বুলি লবাঁ ঘনে ঘনে নামে ঘাই॥
ৱ বুলি অবশ্যই হবাঁই নিস্তাৰ।
শ বুলি শৰীৰৰ পাপ হ'ব খাব॥
ষ বুলি ষড়চক্রে নামৰ বসতি।
স বুলি সত্যে সত্যে লভিবাঁ মুকুতি॥
হ বুলি হৰি হৰি বোলাঁ সব নৰে।
ক্ষ ব্লি ক্ষান্ত হোবা তাৰিব ঈশ্বৰে॥
অ' ৰাম হৰি।

---



ঘোষা—ভকতি কৰিছোঁ, প্ৰেমনকৰিছোঁ, কি কাম
কৰিছোঁ আমি হে ৰাম ৰাম। ৩
পদ— মিছাতে ফুৰিছোঁ সতৰ্ক ভাৱেবে
মিছাতে জপিছোঁ মলা হে ৰাম ৰাম।
ভকতি কৰিছোঁ প্ৰেম নকৰিছোঁ কি কাম

কৰিছোঁ আমি হে ৰাম ৰাম।
প্ৰেম ভকতিৰ একো তত্ত্ব নাই
আমি হে ভক্তি পংগলা হে ৰাম ৰাম

(ঘোষা পোৰাঁ।

মিছাতে ফুৰিছোঁ ভকত বোলাই
মিছাতে মাৰিছোঁ ফোঁট।
বিষয় ভাবনা বিয়াপি ধৰিছে
নিমিষে নেদেখা সোঁত॥
মুখে মাত্ৰ বোলোঁ ৰাম ৰাম ৰাম
হৃদয়ৰ ভাব ক'ত।
কতাহি মনৰ একো ঠিক নাই
পৰিবগৈ নৰকত॥
নামকো নলয় চাপৰি নেবায়
মুখেও নুবোলে হৰি।
যমে বলে দূত ঘোৰা খৰে কৰি
সিজনক আনাগৈ ধৰি॥
হৃদয়ৰ মাঝে নামৰ ভৰাল
মুখৰ কপাট মেলি।
পাপ দৰিদ্ৰক নামৰ বলেৰে
পাছলৈ দিয়াঁ ঠেলি॥

প্ৰেমৰ বলেৰে ওখ দৌল বান্ধি
নামক সাৰথি লই।
পাপ অসুৰক লাগে ৰাঁ সাঁওৰ
পৰিত্ৰাণ পাবলই॥
হাতেৰে কৰিবাঁ জীৱনৰ গোঁজ
হেলাক ৰাখিবাঁ বান্ধি।
জ্ঞানৰ বলেৰে মন মাতঙ্গক
সমূলি পেলাঁবা চান্দি॥
হিয়াৰ মাজত আনন্দচিতেৰে
মুখে প্ৰেম বাজ কৰাঁ।।
ঘোৰ আপদত প্ৰেম পৰকাশি
হৰি হৰি বুলি তৰাঁ॥
শ্ৰী ৰাম হৰি।



ঘোষা—হৰি এ হে, দূৰ কৰাঁ দূৰ কৰা
সংসাৰৰ মায়া। ৪

পদ—চঞ্চল জলৰ বিন্দু সম মনুষ্যৰ।
দূৰ কৰা দূৰ কৰা সংসাৰৰ ময়া।
জীৱন বিষম বিষ সংসাৰ ভিতৰ।
দূৰ কৰাঁ দূৰ কৰাঁ সংসাৰৰ ময়া।

এই শৰীৰত আছে—(ৰগৰ দিয়াঁ) ৰৰকৈ
অসীম শকতি—ৰগৰ দিয়াঁ)        ঐ
প্ৰকাশি কৰিছোঁ বোধ শত্ৰুৰ গতি।
দূৰ কৰা দূৰ কৰাঁ সংসাৰৰ ময়া।

সোণালী বৰণ চৰি জলিছে সদাই—দূৰ কৰা—
তেজৰ কণিকা বাঢ়ি দিশ পোহৰাই—দূৰ কৰা—
সেতিয়া দিবছি দেখা—(ৰগৰ দিয়াঁ)
যমৰ টেকেলা হে—(ঘোষা গোৱাঁ ৰৰকৈ
ওৰাই ফিটাই হায় ভাঙ্গিব ফেঁকেলা—দূৰ কৰা—

নেথাকিব বল সাহ নেথাকিব ৰূপ।
সোণোৱালী দেহা গৈ হ'ব অকুৰূপ॥

হাৰ ছাল অৱশেষ থাকিব মাথোন।
ফেঁপনিয়া উশা বাজ হ'ব ঘনে ঘন॥

ক্ৰমে ক্ৰমে অনিশ্বাস অস্থিৰ শৰীৰ।
হ'ব পাছে জীৱ বাজ মৃত্যু সুগম্ভীৰ॥

যম দুতে ৰণ জিকি জীৱ বাজ কৰি।
বিহিতাই লই যাব শমনৰ পুৰি॥
শৰীৰ থাকিম মাত্ৰ শায়িত ভূতলে।
কান্দিব বিষম শোকে আপোন সকলে॥
সবে মিলি শৱ কৰ্ম্ম সমাপিব ধৰি।
ভস্মীভূত গৰ্ভিভূত নদীভূত কৰি॥
এতিয়া শৰীৰে যদি নকৰা দগায়।
টোপনিতো শোপয় তও এধাগাদ প'প
অ' ৰাম হৰি।



ঘোষা —হৰি নাম লোৱা ভাই হৰি নাম লোৱা।
প্ৰেমেৰে হৃদয় পূৰি হৰি গুণ গোৱা॥ ৫
পদ—তোমাৰে লাহৰি দেহা অগ্নি দেৱতাই।
ভক্ষণ কৰিব হায়, হাতে হাতে পাই॥ (ঘোষা)
নতুবা গাতত পৰি জেং কাইটেবে।
আৰবি ও পৰে মাটি টিপিব কোৰেৰে॥ (ঐ)

কেনি যাব চুলি ছাল-কেনি যাব গা।
তেজ মাংস দিহাদিহি যাব কেনি বা॥
ক'তেবা সিন্দুৰ ফোঁট ক'তেবা সেঁওতা।
ক'তেবা সুন্দৰ বাস ক'তেবা তিকতা॥
ক'তেবা সোণৰ সোন্দৰ্য্যালি অলঙ্কাৰ।
ক'তেবা ধনৰ দ'ল ক'তেই বা ধাৰ॥
ক'তেবা অভেদ্য বাসা ক'তেবা শৰীৰ।
ক'তেবা জীৱন ধন বচন গম্ভীৰ॥
ক'তেবা দুৰ্জ্জয় শক্তি দুৰ্জ্জয় প্ৰস্তাৰ।
ক'তেবা বেথালী মাত ক'তেই বা স্তাৰ॥
ক'তেবা সুগন্ধি তেল ক'তে বা কুঙ্কুম।
ক'ত হাঁই খিখিন্দালি ক'ত জুমা-জুম॥
ক'তেবা গীতৰ ধ্বনি নাচোনৰ চেৰ।
ক'তেবা নাচ'ৰ খোজ ক'তেইহা ঢেৰ।
ক'তেবা চেনেহ ক'তেই বা অহঙ্কাৰ।
চাৰি ফালে শব্দ মাথোঁ ঘোৰ হাহাঁকাৰ॥
ক'ত বিশ্ব ভূমণ্ডল ক'তেবা আকাশ।
ক'তেবা ফুকলি হাই ক'তেবা নিশ্বাস॥
সকলো থাকিব পৰি বিশ্ব অন্তৰ্দ্ধান।
পাপ পুণ্য লগে লগে কৰিব প্ৰস্থান॥

গুণৰ পদীপ জলি বিশ্ব পৰকাশ।
কৰিব যদিহে আছে নহ'লে বিনাশ॥
ইকাৰণে নাই কাম এই শৰীৰত।
কাম মাথোঁ সাৰোত্তম ঈশ চৰণত॥
হৰি বোলাঁ হৰি বোলাঁ প্ৰেমে বোলাঁ হৰি।
সমাজৰ সকলোৰে উচ্চৰৰ কৰি॥
অ' ৰাম হৰি।





# গীত।

কিনোয়ে মোহনকায়, দেখি হিয়া ফাটি যায়।
গহীন প্ৰেমৰ লায়, হেপাহ নুগুছে চায়।
প্ৰভু প্ৰাণ অধিকাৰী।
ভাল ভাগ্য ৰাধিকাৰ, ঈশ হ'ল স্বামী যাৰ।
পালে মনৰ জোখাৰ, কিম্বা চিন্তা আৰু তাৰ
সদাস্বৰ্গ অধিকাৰী।
মোহন মুৰাৰী।


---

খোষা—কদম্বৰে তলে হে, হায়ৰে কলীয়া অ' কিনো
ৰূপ দেখোৱাইছঁা হৰি হে। ৬
পদ—পীত বস্ত্ৰে শোভা কৰে শ্যামল শৰীৰ।

কিনো ৰূপ দেখোৱাইছাঁ হৰি হে।
উৰু কৰীকৰ সম গমন গম্ভীৰ॥
কিলো ৰূপ দেখোৱাইছাঁ হৰি হে।
নূপুৰ জ্বলিলে অতি—(ৰগৰ দিয়া)
পাদৰ পৃষ্ঠত—(ৰগৰ দিয়াঁ)
গজ্জিছে মধুৰ স্বৰ মোহিত জগত॥ (ঘোসা)
আঙ্গুলি শোভিছে যেনে পছমৰ পাহী।
তাতে নখচন্দ্ৰচয় দেখা দিছে হাঁহি॥
কটিত প্ৰকাশ কৰে সুপীত বসন।
ওলমিছে ঠোৰ খোজে লৰে ঘনে ঘন॥
বুকুত প্ৰকাশ কৰে শ্ৰীবৎস লাঞ্ছন।
তাতে আৰু জিলিকিছে বুকুৰ কাঞ্চন॥
পতুমৰ নলা জিনি প্ৰকাশয় বাহু।
জিলিকে কঙ্কণ তাতে যেন চন্দ্ৰ ৰাহু॥
অশোক পল্লব নব সম পাণি তলে।
তাতে নখ ৰেখা নখ চন্দ্ৰ চয় জ্বলে।
কণ্ঠত কৌস্তুভ মণি শ্ৰীবৎস প্ৰকাশ।
গমন কৰিলে কিলো দেখোঁ লয়লাস॥
অৰুণ অধৰ দুই দন্ত মুক্তা সম।
প্ৰকাশিছে লোমাবলী নাই নিৰোপম॥

অম্বরে ঝিচিকা ইহুহি-গণ্ডে বিকসিত।
শরদের পূর্ণ শশী যেন্রে সুশোভিত॥
নাসা তিল ফুল যেন আয়ত লোচন।
প্রকাশিছে ভুরু তাতে চক্ষুর ভূষণ॥
শিরেত কীরিতি রঙ্গে মবালি রচিত।
গলধনে শোভে খোঁপা কিবা সুশোভিত॥
তাতে পিন্ধি আছে চম্পা মল্লি ফুল আদি।
প্রভুরূপ দরশনে নিশ্চয় সমাধি॥

শ্রী রাম হরি।



ঘোষা—প্ৰভুদেও গৈছে কদমৰ তলে হে প্ৰভু
দেও গৈছে গৈছে কদম্বৰ তলে। ৭

পদ—ওলায় জকেমকে আকাশী চন্দ্ৰমা আকাশী
চন্দ্ৰমা ওলায় জকেমকে তৰা হে প্ৰভু দেও
গৈছে কদমৰ তলে হে প্ৰভু দেও গৈছে গৈছে
কদমৰ তলে।

ওলায় জকেমকে আমাৰে প্ৰভু দেও
পহুলী মুখৰে পৰা—(ঘোষা গৌৰ)।

দিনৰে চিকনে ওলায় ৰঙা বেলি
ৰাতিৰে চিকনে জোন।

তাতোকৈ চিকনে আমাৰে প্ৰভু দেও
যেনে পূৰ্ণিমাহৰ জোন॥

শোৱাই গলে ধনত লাহৰি খোঁপাটি
ওপৰত ফুলৰে পাহী।

কাণতে ওলমি কুণ্ডলে দিলিকে
মুখত মিচিকিয়া হাঁহি॥

নাসা তিল ফুল জিনি প্ৰকাশিছে
সুন্দৰ কোমল পাহী।

চকু সৰগৰ তৰাবে নিচিনা
ভুরু লোমাৱলী লাহী॥

তিলকে কৰিছে কপালত কান্তি
চন্দ্ৰমা পৰিছে জয়।
দুপাশে শোভিছে ভুৰু লোমাৱলী
ঘোৰ কৃষ্ণবৰ্ণ ময়॥
কুণ্ডলৰ কান্তি গালত পৰিছে
পাণ্ডুবৰ্ণ বিমলিন।
মুখৰ ভিতৰে ইহিৰ খুজিলে
শোভাৰ উপমা হীন॥
পদ্ম মণ্ডলত বীজ পদ্ম যেন
বিকসি জেউতি চৰে।
মুখ মণ্ডলত সিন্দুপে দশন
অপূৰ্ব্ব জেউতি ধৰে॥
গলে বনমালা কৌস্তুভে প্ৰকাশে
শ্ৰীবৎস লাঞ্চনে পৰি।
হা হা গোপীনাথ বৃন্দাবনবিহাৰী
গোপীকাৰঞ্জন হৰি॥
বচল হৃদয় এনেই ধূনীয়া
ভুবনমোহন ময়।
তাতে জিলিকিছে শ্ৰীবৎস লাঞ্চন
কৌস্তুভ ৰেউচি লই॥

এনেকুৱা ৰূপ দেখি কদম্বিনী
নাচিছে কদম্ব মনে।
বোলা হৰি হৰি সব কাম এৰি
সমাজ্য সমস্ত জনে॥
অ' ৰাম হৰি।



ঘোষা—কদম তলে তলে গই, পাৰা যমুনা নৈ। ৮
পদ—যমুনা বাঢ়িছে কেনে ফুটুকায়ে ঐ পাৰা
যমুনা নৈ। কদম তলে তলে গই, পাৰা যমুনা
নৈ। কেলেই নো গইছা লৰি মোৰ প্ৰভুদেও
ঐ পাৰা যমুনা নৈ। (ঘোষা গোৰা)।
নেৰাৰা নেৰাৰা মৰ স্বৰ প্ৰভু দেও
বিহাৰ লাহৰি ভৰি॥
যমুনা নদীৰে গৰা কুমলীয়া
পাণীৰে ঠেলাতে থহে।
নেলাগে যাবলই চেনেহৰ প্ৰভুদেও
ভূতুনী প্ৰেতিনী যহে॥

এনেইয়ে বলীয়া গৰা কুম্বলীয়া

ক'ৰবাত পৰিবা থহি।

নেযাবা নেযাবা কদমৰ তলতে

বাংশী বজুৱাঁ বহি॥

আমি যে গোপিনী নাচিম চেৱে চেৱে

তোমাকে মাজতে লই।

নাচোন ধেমেলীয়া বাটৰ বাটকৰা

চাবথনে তেকে ৰই॥

তোমাৰে লাহৰি মুখকে নেদেখি

এফেৰি নবহে মন।

হাঁ হাঁ গোপীনাথ বৃন্দাবনবিহাৰী

তুমি গোপিনীৰ ধন॥

কদমতলে তলে গই ঐ প্ৰভুদেও।

পাৰাঁ গৈ যমুনা নৈ ঐ প্ৰভুদেও।

কদম তলে তলে গই ঐ প্ৰভুদেও।

পাৰাঁ গৈ যমুনা নৈ ঐ প্ৰভুদেও।

কদমতলে তলে গৈ গৈ, পাৰাঁগৈ যমুনা নৈ নৈ।

কদমতলে তলে গৈ গৈ, পাৰাঁগৈ যমুনা নৈ নৈ।

কণুক্ ঝুনুক্ ঐ নূপুৰ বজায়।

কদমতলে তলে কোননো যায়।

ৰুণুক্ ঝুনুক্ ঐ নূপুৰ বজায়।
কদমতলে তলে কোননো যায়।
ধৰ্ ধৰ্ কলীয়া কলৈ পলায়।
নধৰিবি নধৰিবি নন্দ গোঁসাই।
ধৰ্ ধৰ্ কলীয়া কলৈ পলায়।
নধৰিবি নধৰিবি নন্দ গোঁসাই।
কদমতলে তলে গই কদমতলে তলে গই
পৰাগৈ যমুনা নৈ।
সত্যো সত্যো সত্যো প্ৰভু সত্যো সত্যো সত্যো প্ৰভু
নেৰিবা আমাক।
থাকিব নোৱাৰোঁ প্ৰভু থাকিব নোৱাৰো প্ৰভু
নেদেখি তোমাক॥
যদি হে নেদেখোঁ প্ৰভু মুখানি তোমাৰ।
অনুপো আনন্দ মনে নেলাগে আমাৰ।
খাবৈন নোৱাৰে, লাগি পেট ভৰি [illegible]।
[illegible] টলমল কৰি [illegible]
চন্দ্ৰমা নথকে যেনে নিশা গাভৰু।
তেনেথা কলীয়া মুখ অনুৰূপ মোৰ॥
তুমি যদি নেথাকা জগত সেইৰূপে।
[illegible] গোপীবাক ঘোৰ অন্ধকূপে॥

তুমি অবি হলে চাৰি ফালে অন্ধকাৰ।
তুমি হে চিত্তৰ প্ৰভু শলিতা আমাৰ॥
তব ৰূপ গোপিনীৰ হিয়া মাজে আঁকা।
জোনাকী শ্যামল তনু কলঙ্ক নথকা॥
গুণৰ সাগৰ তুমি প্ৰেমৰ সাৰথি।
প্ৰেম মধু দিয়াঁ প্ৰভু প্ৰেম সিন্ধু মথি॥
আজলি গোপিনী আমি কিবা জানো বেথা।
কিদিনো তুমিম প্ৰভু দোঁৱাইছোঁ মাথা॥
অ' ৰাম হৰি।



# গীত ।

বাঙ্ক বাঙ্ক নন্দ হৰি, দেখিছোঁ৷ ধেমালি ।
ৰাধিকাৰ যৌবনত, দিলি চোকাকালি ॥
বৰ্হিয়া গাভৰু পালি ।
আহা কিবা চুমাচুমি, কিবা আঁকুৱালি ।
মিচিকা মিচিকি কিনো, হাঁহি খিখিন্দালি ॥
সদাই গাঁথিছ হালি ॥

---

# মুখনি গীত ।

ঘোষা—ৰাম ৰাম ৰাম হৰি ৰাম ৰাম । ১

পদ— দয়া কৰা প্ৰভু দয়াৰ সাগৰ ।
ক্ষমা কৰা দোষ তোমাৰ নামৰ ॥
নেজানো ৰাগিণী নেজানো লাগনি ।
নেজানো চাপৰি নেজানো মথনি ।
আমি অতি মূৰ্খ পাপৰ আকৰ ।
নিজগুণে দয়া কৰাহে ঈশ্বৰ ॥
দিয়া শক্তি প্ৰভু অন্য দিন নই ।
তথু নাম বড মনে লব লই ॥
কি জানো মহিমা তোমাৰ নামৰ ।
একে নামে শিলা উভাসে পাপৰ ॥

জয় কৰঁ। প্ৰভু কৃষ্ণা আকৰ।
কৰুণা বৰষি অধম দাসৰ ॥
সব কাম এৰি হৃদে ৰূপ ধৰি।
সমাজৰ সবে বোলা হৰি হৰি ॥

হৰি হৰি বোলা সমস্ত সমাজ্য জনে এ কৰঁ। হৰি পদ ধ্যান সদা একে মনে অ' ৰাম ৰাম হৰি।

প্ৰাৰ্থনা আৰু হৰি ধ্বনি।

প্ৰভুৰ নাম যি দৰে লব লাগে, সেই দৰে আমাৰ ঘৰে যেনাইনে মনেও নাই। যেই হ'ক অভ্যাস মাত্ৰ চিণ দেখুৱা হৈছে। ইয়াতে সৰ্ব্ব-দোষক ক্ষমা ক'ৰি সবাকে শ্ৰীপদে কোশলে ৰক্ষা ক'ৰিব লাগে। ও হৰি। ও ৰাম। হৰি সন্তোষৰ অৰ্থে হৰি বোলা হৰি।

হৰি। হৰি। হৰি।



জয় জয় প্ৰভু ত্ৰিজগত পতি হৰি এ
দোষ কৰাঁ ক্ষমা কৰুণা নয়নে মোৰ।
বিনন্দ অধমে মায়া মাজে পৰি হৰি এ
কাকুতি কৰিছোঁ মায়া কৰাঁ মোৰ দূৰ॥

## পুৱাৰ গীত।

অ' ঈশ্বৰ অতৰ্ক মহিমা তব।
আকাশী চন্দ্ৰমা জেউতি চৰিছে
পূৰ্ণ যৌৱনত পৰি—অ' ঈশ্বৰ
অতৰ্ক মহিমা তব।
অদৃশ্য সংসাৰ দিছে পৰিচয়
আস্ফালিব বাঞ্ছা হবি॥
শূন্য বিমলিন অনন্ত বিস্তাৰ
সুনীল জেউতি ময়।

তাতে অসংখ্যাত　　　তৰায়ে হাঁহিছে
　　খেনোৱে পৰিছে জঁয় ॥
কৰে চিকিমিকি　　　চাৰিও মণ্ডলে
　　কিবা অপৰূপ ৰূপে।
আনো উদ্যানত　　　ফুলৰ শ্ৰেণীত
　　চৰি:ছ প্ৰকৃতি কুপে ॥
বাজি টিপি টিপি　　　হিমালী বীণাই
　　প্ৰকৃতি গাভৰু বুকে।
গহীনা প্ৰকৃতি　　　সৰতালি মৰা
　　সঁহাৰিছে চাৰি চুকে ॥
বেলীতা চৰায়ে　　　পাখী কোঁটালিছে
　　পুৱাদৈ আহিব দেখি।
পদুমী গাভৰু　　　উৰনী দাঙিছে
　　দিবাৰ মলা লেখি ॥
উঠা উঠা সবে　　　চাৰি পাটি এৰি
　　উঠি বোলা হৰি হৰি।
কিনো দয়ানয়　　　জগত ঈশ্বৰ
　　ওৱালে নিৰ্ভয় কৰি ॥



অ' হৰি মোক নকৰিবা খঙ। তযু নাম শুনি
নভিবা ৰঙ।

ৰাতিৰে ৰাতি,টো সপোনে কীলালে
দিনটো কীলাব বনে।
টোপনি অসুৰে ধৰি মুছৰিলে
সুখ নাই মোৰ মনে॥
পেটতো খালিছে কেছু কুমটিয়ে
মুখো সোপা দিছে থুৰে।
ৰাখা ৰাখাঁ প্ৰভু দীন দয়াশীল
জীৱ কোন মতে শোৱে॥

তোমাৰ মায়ায়ে আহি জেকাইছে
চাৰি ফালে বেৰি ধৰি।
করুণা-সাগৰ কৰাহি নিস্তাৰ
প্ৰভু জগন্নাথ হৰি ॥
নেপাও ঠাইনি ওহে দেৱ হৰি
বিষয়ৰ সাপে খেদে ।
বাখা বাখা মোক প্ৰাণৰ ঈশ্বৰ
জীয়ে যমপুৰী ভেদে ॥
বিনন্দ অধমে কাকুতি কৰিছে।
বিসম বিষৰ জ্বালে।
ত্ৰাহি ত্ৰাহি হৰি এই অধমক
দংশিছে সংসাৰ কালে ॥

---

নেজানো অধমে, নেজানো অধমে
তোমাৰ মহিমা, তোমাৰ মহিমা
তুমি জগদ্ব্যাপী দেৱ।
নিদ্ৰাৰূপ ধৰি, নিদ্ৰাৰূপ ধৰি
শোৱালা ৰাতিটো, শোৱালা ৰাতিটো
হলা এবে সূৰ্য্য দেৱ। তোমা বিনে নাই কেব

তযু পদে কৰোঁ। সেৱ, তযু পদে কৰোঁ। সেৱ
দয়া কৰাঁ। কৰাঁ।, কৰাঁ।, মোক দয়া কৰাঁ।
ওহে দেৱ হৰি।





ওলাই আহে বগা বেলি জিলিকিছে ভূঁই
উঠাঁ। উঠাঁ। নেথাকিবাঁ এতে বেলি শুই ॥
গ'ল নিশামণি আৰু তৰা বোৰ গ'ল।
ধৰা দৈয়ে সাব পাই সাজি সাজু হ'ল ॥
কেঁচুৱা ৰহণ ফোঁট কপালত লই।
জক মক কৰি দেখা দিছে পূৱা দৈ ॥
উঠাঁ। উঠাঁ। নকৰিবাঁ টোপনিত মন।
সজাগৰ জগতৰ যত প্ৰাণীগণ ॥
টোপনি যত্নৰ ৰোগ নিদিবা আশয়।
উঠাঁ। উঠাঁ। ঘপৰাই মন থিৰ কৈ ॥
উঠি আছি চোৰা চোন বন কুকুৰাই।
পূৱাৰ জাননি দি টোপ খুজি খায় ॥
কষ্টেৰে কটাই নিশা ফুলনিত ফুল।
পাহী মেলি সুগন্ধিছে কৰি মন ভুল ॥

মৌ মাখী ভুমোৰাই ফুল ৰস খাই।
গুণ্ গুণ্ গুণ্ স্বৰে সুখ গীত গায়॥
পূৱাৰ বতাহ বলি ৰিপ্ ৰিপ্ সুৰে।
শৰীৰৰ তাপ খেদি প্ৰাণ শাঁত কৰে॥
হিম টোপা টোপা হৈ ডুবৰি আগত।
জিলিকিছে পৰা দৈ ক্ৰেউতি বলত॥
পাখী মেলি পক্ষী বোৰে যাৰ ইচ্ছা যত।
ৰঙে সাৰি হৈ উৰি যায় তত॥
কোনো বোৰে আনন্দত নীলা আকাশত।
বনাইছে পাখী মেলি বায়ুৰ ভৰত॥
এইৰূপে নানাৰূপে সুন্দৰী ৰূপেৰে।
সজাইছে ধৰা দৈয়ে আনন্দ মনেৰে॥
কিনো ঈশ্বৰৰ লীলা বুজিব নোৱাৰি।
এনেকুৱা শোভা দেখি থাকিব নোৱাৰি,
নিশাচৰ ফেঁচা দিন কণা আদি কৰি,
সোমালে গহীন হাবি দিন ভয় স্মৰি।
উঠাঁ আৰু নেথাকিবাঁ টোপনি কোলাত।
উঠিলে সকলো প্ৰাণী চেতন কোলাত॥
নিৰাপদ ৰূপে যাৰ অনুগ্ৰহ বলে
ৰক্ষিলা ভয়াক্ত নিশা ; ভক্তিৰে সকলে—

সিজনৰ নাম লৈ নৰ সাহ ধৰি,
যাৰ যি কৰ্ত্তব্য কাম ধৰঁ। ঘপ কৰি।

## ৰাম তালৰ গীত।

হে প্ৰভো! কি চৰাই কান্দিছে
হে প্ৰভো! "কেংকুকুক্" কৰিছে
হে প্ৰভো! কেনিবা কান্দিছে ক'তে হে ৰাম
হে প্ৰভো! আৰু কি কান্দিব
হে প্ৰভো! শুনি থাকিম্ জানো
হে প্ৰভো! মাতৰে লাহৰি চতে হে ৰাম॥
হে প্ৰভো! পুৱাৰে বতাহত্
হে প্ৰভো! ৰদৰে কিৰণত
হে প্ৰভো! পদুমী নাচিছে বিলত হে ৰাম।
হে প্ৰভো! হিয়াৰে ভিতৰত
হে প্ৰভো! ধাউতি নাচিছে
হে প্ৰভো! একেৰি নুগুছে চিতত্ হে ৰাম।
হে প্ৰভো! কিনো ময়া মন্ত্ৰ
হে প্ৰভো! কৰিলঁ। মনকে
হে প্ৰভো! ময়া মোহনীৰে পাকত হে ৰাম

হে প্রভো ! ওলাওঁতে সোমাওঁতে
হে প্রভো ! তোমালৈ ধাউতি
হে প্রভো। একেৰি নুগুছে মনত হে ৰাম ॥
হে প্রভো ! ওলায়ে আহিছে
হে প্রভো ! ৰাঙলি সবিতা
হে প্রভো ! জিলিকি আহিছে ধৰা হে ৰাম।
হে প্রভো ! জ্ঞানৰ সবিতা
হে প্রভো ! ওলাব ধৰিছে
হে প্রভো ! গুৰু ভকতিৰ পৰা হে ৰাম ॥
হে প্রভো ! কিমতে ভকতি
হে প্রভো ! কৰোঁ। তয় পদে
হে প্রভো ! মায়ায়ে বিয়াপি ধৰে হে ৰাম।
হে প্রভো ! যেনে ৰঘুমলা
হে প্রভো ! গছত উপজি
হে প্রভো ! মেৰাই মেৰাই ধৰে হে ৰাম ॥
হে প্রভো ! প্রেমৰে শতুৰু
হে প্রভো ! আৰু প্রেম ভকতি
হে প্রভো ! মনৰে শতুৰু সাজে হে ৰাম।
হে প্রভো ! দেহি ঐৰ শতুৰু
হে প্রভো ! দেহাৰ পঞ্চ ভূতে

হে প্ৰভো। ওলায় ঘনে পত্তি বাজে হে ৰাম।
হে প্ৰভো। চিন্তা ডাইনীয়ে
হে প্ৰভো। শোহিব ধৰিছে
হে প্ৰভো! জীৱৰ ঠাইনি নাই হে ৰাম।
হে প্ৰভো। আশা চিটিকাত
হে প্ৰভো! লোভত পৰিলোঁ।
হে প্ৰভো। ধৰি বহি ব্যাধে পাই হে ৰাম।
হে প্ৰভো! পক্ষীৰূপী মই
হে প্ৰভো। তোমাৰ মায়াত
হে প্ৰভো। গাত্ৰত চেতন নাই হে ৰাম।
হে প্ৰভো! ৰাখা ৰাখাঁ ৰাখাঁ।
হে প্ৰভো। করুণা-সাগৰ
হে প্ৰভো! মোক মায়া-বাঘে খাই হে ৰাম।



# সুৰ ৰাম তালা।

কি হেনো গৰ্জ্জিছে চাৰিও কাষৰে ২
পৃথিবী ভেদিছে ধ্বনি এ।
কাণ তাল মাৰিছে বুজিব নোৱাৰোঁ ২
লাগিছেহি ডেডেৰণি এ॥
কি আছে ক্ৰবলই নোৱোৰোঁ বুজিব ২
লাগালোঁ মায়াৰ জাল এ।
২ত ধৈৰ্য্য ধৰি থাকিবলৈ খোজোঁ ২
তুমি মোৰ মহাকাল এ॥
খালে খালে খালে দেৱে কি পিশাচে ২
হাব ডালে ডালে খাই এ।
লেখা জোখা নাই বেঢ়ি ধৰিছেহি ২
আৰু পৰিত্ৰাণ নাই এ॥
খেদি লৈ ফুৰিছে হাবি বননীয়ে ২
নোৱাৰোঁ মাৰিব লৰে এ।
হইলোঁ কাপৰ দীন দয়াশীল ২
দয়াকৰাঁ দয়া কৰে এ॥
পশিছোঁ শৰণ দেহে মনে চিতে ২
ৰক্ষা কৰাঁ দেৱ হৰি এ।

ঘোৰ ময়া ভয় দেখুৱালা মোক ২
শৰণ পশিছোঁ। ডৰি এ॥
তুমি নাৰায়ণ জগত কাৰণ ২
তুমি সৰ্ব্ব জীব জীৱ এ।
অনাদি অনন্ত পৰম পুৰুষ ২
তুমি আদি দেৱ শিব এ॥



---



## সুৰ কৰ তালা।

এই ঘৰ দ্বাৰ সকলোৱে মিছা এই ঘৰ দ্বাৰ সক-
লোৱে মিছা ঐ মন কালিলৈ থাকিব পৰি এ
ঐ মন কালিলৈ থাকিব পৰি এ।

এই পুত্ৰ ভাৰ্য্যা ধনবস্তু মালে এই পুত্ৰ ভাৰ্য্যা ধন
বস্তু মানে ঐ মন সবে ময়া পাক জৰি এ
ঐ মন সবে ময়া পাক জৰি এ ॥
এই যে শৰীৰ ইয়ো ধীৰে ধীৰ এই যে শৰীৰ ইয়ো
ধীৰে ধীৰ ঐ মন সুতুৰা সুতুৰী হ'ব এ।
ঐ মন সুতুৰা সুতুৰী হ'ব এ।
এই নাক কাণ সবে হ'ব সাঙ্গ এই নাক কাণ সবে
হ'ব সাঙ্গ ঐ মন মৰি শালী নাম থ'ব এ
ঐ মন মৰি শালী নাম থ'ব এ।

---

## ( সুৰ আগৰ দৰেই। )

মাটিত মিলিব যত আছে মানে
বিশ্ব হ'ব অন্তৰ্দ্ধান।
এই কান্তি গৈ মাটিত মিলিব
নেথাকে ইতো গিয়ান ॥
বিষয়ৰ সুখ কৰি বহি চূৰ
আহিলে যম কিঙ্কৰে।
নিস ধৰি বান্ধি জীৱ বাজ কৰি
কি কৰিব চাই পৰে ॥

পুত্ৰও থাকিব চকু পানী টুকি
ভাৰ্য্যাও কান্দি বীণাই।—
লগতে মৰিলে মানে ও নেপাব
এটায়ে থাকিব চাই॥
শুনা কাণ পাতি কান্দিব ধৰিছে
পুত্ৰ হেকুৱাই মাকে।
চিয়ঁৰি চিয়ঁৰি ইনাইছে বীণাইছে
কি কৰিব বেথা পাকে॥
"হা হা বাচা মোক কলৈ গলি এৰি
শূন্য কৰি বক্ষস্থল।
বুকে শোক অস্ত্ৰ আঘাত কৰিলি
হৃদয় বিদৰি গ'ল॥
হা হা বাচা মোৰ নেথাকে পৰাণ
তোমাৰ মুখ নেদেখি।
হায় ৰে বিধতা কিয় দিছ বাথা
দুৰ্ভাগিণী ভাগ্যে লিখি!!
কোলাত উঠিলৈ কোনে নো মাতিব
কাকনো বুলিম "সোণা"।
কোনে এধা ফুটা মাতেৰে মাতিব
কলৈ গলি মোৰ পুনা।"

কান্দি কান্দি হায় মাটিত পৰিছে
মাৰিছে হিয়াত ভুকু।
বোলাঁ হৰি হৰি আন কাম এৰি
ভকতিৰে বান্ধি বুকু॥
ঔ ৰাম ৰাম।

---

## ( সুৰ ভাৱালা। )

দোম।—এ ভৱ সাগৰ মাজে পাৰ কৰাঁ মোক
নাৰায়ণ।
পদ—চোৰাঁ উঠে পুনু চেতন পাইয়া কান্দিছে
পুনু বীণাই, এ ভৱ সাগৰ মাজে পাৰ কৰাঁ
মোক নাৰায়ণ।
আউলি বাউলি বস্ত্ৰ নসম্বৰে ভঙ্গ হ'ল মাত
নাই এ
ভৱ সাগৰ মাজে পাৰ কৰাঁ মোক নাৰায়ণ॥
তথাপি কান্দিছে বাগৰি বাগৰি
চুলিয়ে খাইছে ধূলি।

চিঞৰিছে শুনা গগন ভেদাই
"হায়ে সোণা মুৰা" বুলি ॥
"কাৰনো মুখত চুম্বি ঘনে পতি
আনন্দ মানিম চিত।
হায়ৰে শমন নিয়াঁ মোক মাৰি
নেথাকোঁ পিৰিথি বীত ॥"
চোৱাঁছো তথাপি নিজীলে সন্তান
সকলো দেখিছাঁ মিছা।
খোৱাঁ লোৱাঁ পিন্ধাঁ যত পাৰামানে
যাৰ যেনে কুৰা ইচ্ছা।
হৰি নাম গাই বসত মজাই
ফুকৰাঁ ইটো মনক।
মিছা চিন্তা কৰি মিছা শোক কৰি
নিদিবা দুঃখ জীৱক ॥
বেজাৰ কৰিলে কিবা লাভ হ'ব
দেহাহে যাব শোকাই।
যত্তেক দেখিছা নৰ পশু পক্ষী
এদিনা সবে লোকাই ॥
চাই চাই থাকিলে একোটো নোপোৱাঁ
কৰিলেহে পাবাঁ ফল।

এতেকতে সবে · বোলঁ। হৰি হৰি
মিছাতে জীৱন গ'ল ॥
হৰি হৰি হৰি।



## ( সুৰ ৰাম তাল ও তাবালা। )

ঘোষা—হৰি হৰি মোৰ কি ভাগ্য কপাল।
পৰিলোঁ এ ভৱ কূপে নৱকৰ খাল—
হৰি হৰি মোৰ কি ভাগ্য কপাল।

পদ—চৌদ্ধ ব্ৰহ্মাণ্ডৰ মাজে অনুপমা পুৰ।
অনুপমা ওপৰত সদানন্দ পুৰ॥
সদানন্দ ওপৰত বৈকুণ্ঠ ভুবন।
উমলিছে য'ত সদা মহা ভক্তগণ॥
কিনো ৰমণীয় স্থান উপমা বিহীন।
সংসাৰত তেনেকুৱা একোনাই চিন॥
কেনে কৈ লিখিম হায় ভাগিমাৰ কাপ।
হীন স্মৃতি মৰে মই পাঁও ঘোৰ তাপ॥
যেনে তেনে লিখোঁ বুলি যদি আগ বাঢ়ো।
সাহিত্য ভাণ্ডাৰে তেনে কথা নাই কাঢ়ো॥
এলাগী কথাৰে তেও কৰি অনুমান।
থালে য'ক বামে য'ক লিখোঁ কিছুমান॥
পুৱ ফালে শোভা কৰে চাৰু সৰোবৰ।
পানীপূৰ্ণ তিৰ্ বিৰ্ অতি মনোহৰ॥

কি নো সুশীতল জল দেখোঁতে হুতাশ।
কৰে পলায়ন তাপ হয় সৰ্ব্ব নাশ॥
সুমন্দ বতাহে জল কৰে টল মল।
তাতে নানাবিধ মাছে কৰে খলখল॥
চাৰি ফালে চাৰি ভাগ গজিছে পদুম।
চিৰদিন ফুলে ফুল হই জুমাজুম॥
আকাশী কুসুম জিনি শোভে দিবা ৰাতি।
তাতে অলিকুল আহি ভ্ৰমিছেহি ছাতি॥
আকাশী তৰাই শোভা কৰে নিশা হ'লে।
কিন্তু এই বিল তৰা সততেই জলে॥
নোৱাৰে ঢাকিব তাক ভাৰৰ ঢাকোনে।
নপৰে জঁইতা তাই সুকমৰ গুণে॥
মৃণাল আসন পাৰি সাৰি সাৰি হৈ।
উমলিছে আনন্দেৰে ভঙ্গৰাজে লৈ॥
ভৃঙ্গৰে শৃঙ্গাৰ গীত গাই সুমধুৰ।
পদুমী গাভৰু শোভা উপমা সুদূৰ॥
কোঁৱালিছে দেহা জানো সুমন্দ সমীৰে।
ছিগা ভগা চুলি ধূলি সৰিপৰে নীৰে॥
তাকে খায় মাছ বোৰে দিয়ে হৰি ভেৰ।
গাগল, পিঠীয়া, ঋাঁৰি, শ'ল, শাল, ভে'ৰ॥

মাছ বোৰে "তক্ ৰক্" আদি শবদেৰে।
কিন্তু লিছে কিনো শোভা চাক সৰোবৰে ॥
হাঁৰ হেৰিয়া।

---



## ( সুৰ টোকাৰী। )

কেলেই লাগিছে নগৰ্ ৰাজপাট কেলেই লাগিছে নগৰ্ ৰাজপাট কেলেই লাগিছে কেলেই লাগিছে সৰ। (টোকাৰী) লগতে মাৰঁ।।

হাবি ৰম্যপূৰ প্ৰেমৰ বাথৰু হাবি ৰম্যপৰ প্ৰেমৰ বাথৰু গছ তলে মনো গছ তলে মনোহৰ ॥ (টোকাৰী অকলে মাৰঁ।) ধেন্ ডুন্ ডুন্, এ ডুন্ ডুন্, ডুন্ ডুন্ এ ডুন্ ডুন্।

( নামো গোৱাঁ টোকাৰীও বোৱা )।

ধেন্ তুন্ এ তুন্ এ তুন্ তুন্, তুন তুন্ এ তুন্ এ তুন্ তুন্, ধেন্ তুন্ এ তুন্ এ তুন্ তুন্, তুন্ তুন্ এ তুন্ এ তুন তুন্, ধেন্ তুন এ তুন্ এ তুন তুন্, তুন্ তুন্ এ তুন্ এ তুন্ তুন তুন্—ধেন্ তুন তুন্ এ তুন্ তুন্ তুন্ তুন্ এ তুন্ তুন্। ধেন্ তুন তুন তুন্, তুন্ তুন্ তুন্ তুন্—নামগোৱা।। টোকাৰীও বোৱাঁ।। সুৰ এ কেদৰেই ধৰিবা। প্ৰথম সাৰি দুবেলি গাবা ; দ্বিতীয় সাৰি শেষৰ দুটা আখৰ এবি দুবেলি গাই পাছত পূৰাই গবা ॥

কেলেই লাগিছে ধোৱতী কাপোৰ ১
কেলেই লাগিছে ২ ছোলা।
গছৰে গছঁত আনিম পছতি ১
প্ৰেমেৰে পাতিম ১ খোলা ॥
কেলেই লাগিছে ঘঁটি বাটি কাচঁা
কেলেই লাগিছে লোটা।
হাতৰ কাজলি আছে মনোহৰ
পীৰ পাৰেঁা প্ৰেম সোঁতা ॥

কেলেই লাগিছে গোলাপী আতৰ
কেলেই লাগিছে তেল।
প্ৰেমৰ গোলাপী আতৰ ওলাব
ভাঙিব দুখৰ মেল ॥
কেলেই লাগিছে লং দাল চেনী
কেলেই লাগিছে জাঁই।
মেজাঙ্কৰী গুটি আছে অগণন
খাবলৈ এনেই পায় ॥
কেলেই লাগিছে সুগন্ধি চন্দন
কেলেই লাগিছে ঘ্ৰাণ।
দেবী প্ৰকৃতিৰ মলয়া বলিছে
জুৰাব তাপিত প্ৰাণ ॥
কেলেই লাগিছে ৰূপালি দাপোন
কেলেই লাগিছে ফণি।
প্ৰেমৰ দাপোন চাম তৰপাই
আঙুলীকে কৰি ফণি ॥
কেলেই লাগিছে সেঁওতা কালিৰ
কেলেই লাগিছে ফোঁট।
প্ৰেমৰ সেঁওতা ফাটিব আপুনি
ভাঙিব চুলিৰ জোঁট ॥

সৰগৰ সুখ নেলাগে অকনি
নেলাগে দেৱৰ লগ।
প্ৰেম সৰগত উমলি থাকিম
প্ৰেমন্তৰ লই লগ॥
বৈকুণ্ঠ ভুবন তুচ্ছ জ্ঞান কৰোঁ।
তুচ্ছ মানো দেৱ ভোগ।
নেলাগে একোকে প্ৰেমন্তৰ লগে
ভাবোঁ দেৱ সঙ্গে যোগ॥
বৈকুণ্ঠ স্বৰ্গই নোৱাৰে হ'বলৈ
অৰণ্য পূৰৰ মান।
যাতে প্ৰেমন্তৰ লগত লগৰা
ভাবিছোঁ অমীয় মান॥
যদিও বৰ্ষিছে ৰূপনীয়া পানী
যদিও পবিৰ গাত।
ভাবিম স্বস্থ প্ৰেমৰ তোপান
বহিছে প্ৰেমন্তে গাত॥
যদি মোক থাব ডাঁহে দাম লোম
খজ্জাটিত ছিগিব ছাল।
যদিও বলিব জোকৰ শোনিত
তথাপি লাগিব ভাল॥

কিবা ভাত পাণী শোৱা ধাৰী পাটি
কিবা সুকোমল গাক।
বন্য ফল মূল অমীয় সমান
হাতে সুকোমল গাক॥
ভাবিম্ য'তে ত'তে প্ৰেমন্তৰ সতে
মিলন যেতিয়া মোৰ।
আৰু কিবা সুখ আছে সংসাৰত
আছে কিবা ৰম্য পুৰ॥




ঘোষা—লাই লেফটেন গোঁড়াৰ পণ্টন হিলৈ
মাৰে জাঁই জাঁই ঐ গোবিন্দৰাম।
পদ—সাৰি সাৰি হই হিলৈ ডাল ঘূৰাইছে
আঙৰি ভাঙৰি কৰি ঐ গোবিন্দৰাম।

"এটেন্‌চন" বুলি · নায়ক কইছে
ঠিয় হ'ল ছিলৈ ভাল ধৰি ঐ গোবিন্দৰাম ॥
আকৌ কিবা বুলি কইছে হ'ব পায়
ছিলৈ ভাল লইছে জাঙি।
ডিঙি বেঁকা কৰি টোৱাইছে ভীৰাইছে
দুভৰি আগলৈ ভাঙি ॥
আকৌ কিবা বুলি কইছে হব পায়
মাৰে ভৰি গিৰিপনি।
দিছে ও ফৰাই ঘনত্ ঘনে পতি
উঠিছে দূৰৈতে ধ্বনি ॥
আকৌ "স্কুযাইট" বুলি কই দিছে
সবে হুচিয়াৰ হ'ল।
আকৌ কিবা এশাৰ কইছে হ'বলা
এধাভাগ আগলৈ গ'ল ॥
"ৰাইট্ টৰণ্" বুলি কইছে নায়কে
ঘূৰে সোঁ হাতলৈ চাই।
"কুইক্ মাৰচ্" বুলি কৈছে ডিঙি ফালি
এটাই বোৰ সমানে যাই ॥
"কুইক্ হ'ল্‌থ্" বুলি নায়কে কইছে
এটাই বোৰ সমানে ৰ'ল।

"লেফট্ টৰণ"বোলোঁতে এটাই বোৰ চিপাহি
ঘূৰি বাঁও ফলীয়া হ'ল ॥
আকৌ কিবা বুলি কইছে নায়কে
টোৱাইছে ছিলৈ ডাল ভাঙি।
হুসনা বহুলে বহিলে ততাতে
এভৰি পাছলৈ ভাঙি ॥
আকৌ কিবা বুলি কওঁতে সমানে
দিলে ঘোৰা ওফৰাই।
অনিয়া বগিয়া মেয়ে যতে পাৰে
মাৰিছে ধুমে ধুমাই ॥
কাণ তাল মাৰিছে ছিলৈ শবদতে
কাৰো মাত শুশুনি কেৱে।
ধূৱাঁৰে প্ৰতাপত বেলিকো ঢাকিলে
ৰংচাই আকাশী দেৱে ॥
ইটোৱে সিটোৱে খেদাখেদি কৰে
হাতত হিলৈ ডাল লৈ।
আমাৰে ফাললৈ আহিছে দাৰ্উৰ
ঘৰলৈ যাঁও গৈ বৈ ॥
অ' ৰাম হাৰ।

ঘোষা—বহুৰা ওলাব, ৰং দেখুৱাব, যেয়ে আছে
চাবলই নেদেখা দেখিব।

পদ—যিকালত মহাদেৱে দক্ষযজ্ঞ নাশ।
কৰিছিলে হ'ল তাতে দক্ষৰ বিনাশ॥
মহাদেৱে মহাক্ৰোধে আপোনাৰ চুলি।
চিঙি লদি মাৰি দিলে "মৰি থাক" বুলি॥
তাৰ পৰা উপজিলে বীৰবাহু মাল॥
চিঙিলে দক্ষৰ মুণ্ড কথা হ'ল ভাল॥
মৰিলে পামৰ দক্ষ কান্দিছে প্ৰসুতী।
মহা শোকে মহাদেৱে কৰে ঘোৰ স্তুতি॥
স্তুতিত সন্তুষ্ট হই জীয়ালৈ দক্ষক।
নিমূৰীয়া ঘূৰি ঘূৰি কৰে তক বক॥
উপায়বিহীন দেখি ভাবিলে শঙ্কৰে।
কোন মতে মুণ্ড দিওঁ মাতিলে সত্বৰে॥
"নন্দি নন্দি কোৱা বোপা কি হ'ব উপায়"।
নন্দিয়ে বুলিলে "হ'ক ছাগলিৰ প্ৰায়॥
সতীয়েও শাপি ছিলে নিন্দনীয়া মুখ।
হ'বলৈ ছাগলি যেন পাবি ঘোৰ দুখ"॥
ইতিপূৰ্ব্বে মহাসতী দশ বহুৰালী।
মূৰ্ত্তি ধৰি আজ্ঞাললে সভালই বুলি॥

ভেনে বহুৱালী গই লাগিলে সভাত।
সভাৰ গৰাকী দক্ষ—হ'ল মুণ্ড পাত॥
সি মুণ্ডৰ পৰা হ'ল বহুৱা জনম।
বহুৱা চৰিত হায় কেনেকৈ নো কম॥
আজলা বিজলা ৰূপ উপমাবিহীন।
দেখা মাত্রে হাঁহি উঠে ইমানেহে চিন॥
অন্যৰ শৰীৰে শোভে ৰূপালী কাপোৰ।
বহুৱাৰ গাত শোভে কলপাত বোৰ॥
অন্যৰ মূৰত শোভে ঘন ক'লা চুলি।
বহুৱাৰ মূৰে শোভে মৰাপাটৰ ধূলি॥
অন্য জনে বোলে কৃষ্ণ কৃষ্ণ হৰি ৰাম।
বহুৱাই বোলে কৃষ্ণ ভোক পালে খাম॥

গোবিন্দকৃষ্ণ। বহুৱা—খুন্দিমকৃষ্ণ।
ৰামকৃষ্ণ। বহুৱা—খামকৃষ্ণ।

মুক্তিত নিস্পৃহ যিটো সেই ভকতক নমো
ৰসময়া মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি॥

বহুরা।—মুঠোতে নেচাই ছিটো সেই ভূকু খোয়া বাপু
বহু যাই যাজে দিশে মুকুতি।
স্বহস্তে মস্তক যদি [illegible] ভকুবলেবশ্য
হবেঁ। হেন যাই অধিপতি ॥



কলির পরম ধর্ম্ম জানা রাম নাম।
শঙ্করে রচিলা ডাকি বোলাঁ রাম রাম ॥
বঃ—কলির পরম মলি জানা রাম নাম।
শঙ্করক পাসে যানে এভিয়াই থাম ॥








নেদেখি থাকিলে থাকিবলৈ পাবেঁ।
দেখি হে থকাতো টান।

প্ৰেমৰ অগিণি . জ্বলিছে চৌপাশে
তাপিত আবুজা প্ৰাণ ॥
উৰে জাকে জাকে কলীয়া ভুমোৰা
বিচাৰি ফুৰিছে ফুল।
মোৰে মন বলীয়া চেৰেঙা বেৰেঙা
প্ৰেমত বাগৰি ভুল ॥
ফুলনি বাৰিত নানা জাতি ফুল
ফুলি জক্ মক্ কৰে।
ভুমোৰা বলীয়া মধুৰ লোভত
উষাতে উপচি পৰে ॥
কিনো মধু গন্ধ মলয়া বলিছে
সদায় বিপালি থাৰে।
বিৰহী ব'ৰাগী তাপিত প্ৰাণত
অমৃত ঢালিব পাৰে ॥
কুলিয়ে কান্দিছে "কুহু" "কুহু" কৰি
বসন্ত উমলে বহি।
আকাশী জোনাই জেউতি প্ৰকাশি
জানো পৰিছেহি খহি ॥
দ্বিতীয় বৈকুণ্ঠ ফুলনি বাৰিত
ভক্তগণে উমলিছে।

কটাহি চাঁওতে সকলো সন্তাপ
যায় দৃশ্য—পাছে পাছে ॥
আমি অভাগিণী ভাগ্য জুয়ে পোৰা
উৰুলি পোড়াৰ প্ৰায়।
একেটি প্ৰাণক নিৰলে থওঁতা
আৰু কোনো ক'তো নাই ॥
ফুলনি বাৰিতে বহোঁগৈ নিৰলে
লওঁগৈ সুগন্ধি চাত।
সৌন্দৰ্য্য জুৰণি চালোঁগৈ হিয়াত
নুশুনাকৈ কাকো মাত ॥





তাঁদেৰ পখিলা দেখিবলৈ বাক্,
পাখীতে লিখিছোঁ। তুমি সুৱৰ্ণৰ থাক.
তাঁদেও পখিলা চাই থাক্ চাই থাক্ কৰে
দেও পখিলা চাই থাক্ চাই থাক্ কৰে।
ধৰোঁ কি পখিলা ধৰিলেবা গৰে।
তাঁদেও পখিলা কেনেনো দেখিলা
উৰি উৰি ঘুৰে॥
চাওঁতে চেঁক্ পখিলা মনকে মোৰ মোহিলা।
নেচাইলে থাকিবলৈ টান।
পাখী যে কমলীয়া আকৌ যে মেমেলীয়া
পাতুলী যে গাভৰুৰ মান॥
কিহকে যে বিচাৰি ইমানকৈ যে ফুৰিছ
কি নো যে তোক্ খাবলৈ লাগে।
মোৰে মন যে আনুজন নুজাব যে লোমাৰি
কাণতে তোক্ পিন্ধিম যেন লাগে॥

অ'সুমেথিৰা আহা নামি,
তোমাকে থাবলৈ আহিছোঁ আমি,
লেখাও আকৌ নলওঁ আকৌ নল নল গাও হাত।
থামে আকৌ লমে আকৌ লগাই লগাই খায় হাত।
সুমথিৰা টেঙ্গা ঐ নুমথিৰা টেঙ্গা,
দেখিলে লাগে তোক্ হেপাহৰ জেঙা
গছৰ ডাল সুৱনী ঐ মোৰে প্ৰাণ জুৰণি
ঐ মাছৰ ফুলে বছা চেঙ্গা।
অ'দেও পাইলা আনা সুমেথিৰা খাঁও দেও
পা[illegible]লা আনা [illegible] আনা সুমে[illegible] [illegible] ও॥

[illegible] সু[illegible]থিৰা ব[illegible] জাকে জাকে
সৰে সৰে যেন লাগে।
গছৰ ডাল সুৱনি [illegible] প্ৰাণ জুৰনি
চাই থাকিম্ যেন [illegible]গে॥

দেহি [illegible] [illegible] সৰগত যে তৰা
জানো মিচি[illegible] [illegible]ছে।
কোনটো [illegible] [illegible] তোকে যে ঐ গঢ়িছে
এনেটি যে [illegible] [illegible]ছে॥

মোহন। "হেৰ [illegible] দ! ক'লৈ গোৱা [illegible]"

বিচুন। "কোন? সোৱণ দৈ। আহা! আহা! লাহৰি তোমাক নেপাই হে অঠনিৰ পৰা যাঁও নেযাঁও কৈ আছিছোঁ।"

সোৱণ। "পিছে কোন ফালে নো?"

বিচুন। "ৰহণ দৈ ইতে কদ মনিত বিছপাতিছেগৈ তালৈকে যাঁও।"

সোৱণ। "ব'বা, মম ছাটিটো আনোগৈ।"



চলে সখী সোৱণ্ বিচুন্ চলে সখী সোৱণ্ বিচুন্
আনন্দিত মন।
হাতে ধৰাধৰি ঘন হাতে ধৰাধৰি ঘন
বিৰি ঢাগি বল।
খোজ দিছে ঘনত্ ঘন্॥







( সুৰ যোজোনা । )

নাচনি পথিলা যেনে ঐ বিনুৰা

নাচনি পখিলা যেন—

বিণে ভালে কৰি নাবি তয় বিনুৰা

নাচনিৰ খেমালিৰ খেলু।

( সুৰ বীণ । )

নাচনি বিচিকি জয় মালতী নাচনি পিচিকি জয়

মালতী নাচনি বতাহৰ জয় মালতী আগ।

আনাৰে ।চনি জয় মালতী নাচে ঘূৰি ঘূৰি জয়
মালতী ঘূৰতে হাঁচটী জয় মালতী পাগ ॥

## (সুৰ দুই ঠেলা নাচনি। )

নাচিছ যে নাচনি কি হবৈ তোৰ চিন্তনি
কেনৈ যে তয় ঢাকিছ মুখ।
কোন নো যে কটা যোৰাই বেয়া যে তোক
বুলিব উলিয়াযে লাহবী মুখ ॥

## ( সুৰ এক ঠেলা নাচনি। )

তোমালৈ মোৰ যিগানটি মৰম লাগে নাচনি
সুধিলে ময় কি বুলি ক'ম।
আহা যে মোৰ নাচনি লাগিছে জানো আমনি
কোলাতে ময় বহুৱাই ল'ম ॥

## ( সুৰ ঐ। )

মনবে যে সন্তাপত টোপনি যে নধৰে
নেখাঁও যে পেটে ভৰি ভাত।
হায়নো নো হায় বিধতা সন্তাপে মোক খাইছে
অগিণি মোৰ বলাইছে গাত ॥

## ( সুৰ আগ ঠেলা সাৰেং নাচনি। )

আবুজন মনকে বুজাব নোৱাৰোঁ কোনেনো
জিৰণি দিব।
কোন নো টো সতেৰে থাকিম মনে পাৰি
সন্তাপে অগিণি দিব ॥

## ( সৰ যোজনা পাছ ঠেলা নাচনি। )

মনৰো ঠিকনা নায়ে মোৰ সন্তাপত
চিতৰো ঠিকনা নাই—
একেটাযে মনেৰে থাকিব যে নোৱাৰোঁ।
সন্তাপে যে মাৰিছে খাই ॥

## ( সুৰ জুৰ লগা নাচনি। )

হায় হায় যে মোৰ বিধতা কপালত্ যে লিখোঁতা
মোৰে যে কুমলীয়া গাত।
দপে নো দপে কৰি জ্বলিব যে ধৰিছে
সন্তাপৰ যে অগিণি চাত।
লালোঁ যে সৰগলৈ বাট ॥





মোৰে মন্ নিচিগে মোৰে মন্ নেভাগে
মোৰে মন যে লেকেটা জৰি।
এ সুয়া মনকে ভূলাব লাগিলে
যামে সনে তাপত্ মৰি ॥
মনেছে খেমালি থাকিম উমলি
মনতে নাচনি ঘুৰে।
মনৰে সমান কোনে নোহবৰা
খন্তেকত্ পৃথিবী ঘুৰে ॥
মনতে উজনি মনতে নামনি
মনতে দহোতা দিক।
মনেহে আহৰি মনেহে লাহৰি
মনেহে ধাউতি ঠিক ॥

হৃদয়ৰ পুখুৰিত পদুম ফুল ফুলিছে
মন ভুমোৰাই চুহে।
বিশ্বগৰোতাৰ অপূৰ্ব্ব পচনি
সংসাৰ বিয়াপি থোহে॥



নৈ আছে বৈ বৈ এটাৰ নোৱাৰোঁ৷ আগ গুৰি কৈ।
নহয় নে অ'বাক সখী মিঠাদৈ।
অ'হৰি ৰাম ৰাম, বৰ বৰ গছ,
শিপা খানি পানীত পেলায় মাৰি দিছে সঁচ—
নহয় নে অ'বাক সখী মিঠাদৈ
নৈ আছে বৈ বৈ এটাৰ নোৱাৰোঁ৷ আগ গুৰি কৈ।
নহয় নে অ'বাক সখী মিঠাদৈ।

অ'হৰি ৰাম ৰাম, বৰ বৰ মাছ আপনাৰি আপমাৰি
ধৰে বিছু নাচ নহয়নে অ'নাক সখী মিঠা দৈ।
বৰ বৰ বগ, বালি ওপৰত বহি আছে তবক্ বক্।
বৰ বৰ বালি, জ্বিলিকে ধবল ৰূপে ধৰি গৰাচালি।
বৰ বৰ চত, সৌন্দৰ্য্য বিস্তাৰি চোৰা আছে সুমহৎ॥
বৰ বৰ গৰা, ঠিয়াদি বিয়াপি আছে গুবি যৰ পৰা।



বৰ বৰ জান, পানী যোগনীয়া পানী কৰিছেহি দান।
বৰ বৰ ডুবি, আছে মুৰ গুজি বোলে নুচুবি নুচুবি।
বৰ বৰ ছাবি, ধৰিছে গহীন শোভা কিনো চায়ে যাবি।
বৰ বৰ মচ, নাৱ, জাহাজাদি ধৰি কৰি থৈছে বশ।
বৰ বৰ নাৱ, পাক চাকনীয়াত্ পৰি কৰে কাও যাও।
বৰ বৰ ডোম, নানা জাতি মাছ ধৰি বান্ধিছে গৈ দ'ম।
বৰ বৰ জাল, পাতি থৈছে মাছ বোৰে লাগিছেহি
ভাল।
বৰ বৰ বঠা, একে চাৰে পাৰ হয় নহয় কম কথা।
বৰ বৰ চৈ, ফুৰিছে সদায় নাৱৰ ওপৰত লৈ।
বৰ বৰ ঘাট, পাৰ হোৱঁা ৰূনি ঘনে লগাই আছে মাত।
বৰ বৰ গাঁও, পাৰত ধৰিছে শোভা ব'লা তালৈ যাও।
বৰ বৰ চৰ, আছে ওপ শিব কৰি নাই লব চৰ।
বৰ বৰ বাৰি, বিবিধ শস্যেৰে ভৰা আছে সাৰি সাৰি॥
বৰ বৰ ঢাপ দেখি ভয় লাগে পাৰ হ'ব কাৰ বাপ।
বৰ বৰ খাল, খানি আনি নদী মাজে পেলাইছেহি
ভাল।
বৰ বৰ সাঁকু, পাৰ হ'ব নোৱাৰিলে লাগে কেঁকু ফেঁকু।
বৰ বৰ ঢৌ, নাৱক শুনিছে বোলে পাৰ হলি নৌ।
বৰ বৰ চাক, মাজত পৰিলে তাতে বাম বুলি থাক।

বৰ বৰ ফেন, দেখোঁতেই মনোহৰ পিঠাগুৰি যেন।
বৰ বৰ জাঁজ, উমলিছে বাতি দিনে পানীদৰ মাজ।
বৰ বৰ দাড়, পৰি আছে পানী মাজে নেদেখিলে সাং।
বৰ বৰ সাপ, সোঁতত ভাহিছে চোঁৰা কৰি কাপ্
কাপ্।







## ( সুৰ নাচনি। )


ফুলনি ফুলনি মোৰে প্ৰাণ জুৰণি ২
ফুলনি বিলাহৰ ধন।
এনুৱা ফুলনি যদি চায়ে থাকোঁ ২
জুৰাব চেৰেমা মন ॥

চাই চাই ফুলনি নেলাগে আমনি
নপলায় হাবি আশ মোৰে ঐ ফুলনি
নপলায় হাবি আশ মোৰ।
মোৰে মন ভুমোৰা তোমাৰে লগত
বিধতাই পাতিব যোৰে ঐ ফুলনি
বিধতাই পাতিব যোৰ ॥

কোননো টো বিধতাই দেহি ঐ ফুলনি পাতিলে
দেহি ঐ কোননো টো মালিয়ে দেহি ঐ ৰোলে।
আই৷ মোৰ ফুলনি দেহি ঐ আমাৰে ঘৰলৈ
দেহি ঐ গাথিম তোক লাহৰি দেহি ঐ ডোলে ॥


পাহী যে মেলি মেলি কেলৈ তয় যে হাঁহিছ
কি কথা বা পৰিলে মনত।
মুখে যে তিৰে বিৰে সেন্দুৰী যে জেউতি
সদায় যে পৰি থাকে গালত ॥





ব'লা সখী আহেঁা দেখি ফুলনিত ফুল।
ফুলি আছে বঙ্গে নাছে কবি মন ভুল॥
আহা কিবা মনোলোভা শুনো গীত বোল।
কোনে নাট কবি তাত পিটিছেহি ঢোল॥
কিম্বা কোনো জনে জ্ঞানো কৰে গণ্ডগোল।
হিয়া মোৰ কঁপে ঘোৰ শুনি হুলস্থুল॥
ফুলে ফুল কিম্বা বোল কৰে অলিকুল।
কিম্বা নাশ কৰি বাস বান্ধিছেহি টোল॥
নতু ব্যাধে আহি সাধে পাতিছেহি ডোল।
ব'লা ব'লা শীঘ্রে চলা উলিয়াঁও জোল॥

---



জানা সখী পালেঁ। মেকুৰিৰ নাট। ক'তো নাই শুনা ভাই এনেকুৱা মাত ॥
মেৰ কৰি চেৰ ধৰি বাদ্য হাতে হাত। আহা আজি বুন্দা বাজি হ'ব ওৰে ৰাত ॥
আহা আহা মন মোহা আচৰিত নাট। গীত চেৱে জানো দেৱে ধৰিছেহি গাত ॥

## ( সুৰ ৰাঁহী )।

উলি তামোলৰে ল'হ' পাহীলা পুলি খেমেলীয়া
ল'হ' পাহীলা উলি তামোলৰে ল'হ' পাহীল পুলি।
বিছণ দৈ লাহৰি ল'হ' পাহীলা মাতি পঠিয়াইছে
ল'হ' পাহীলা মোকে চায়ে অ'কৃহি ল'হ' পাহীলা
বুলি ॥
কলৈ গৈ আছিলি ক ক পাহীলা কাহানি আহিলা কক
পাহীলা সৰতো নুশুনো ক ক পাহীলা মাত।
কলৈকো যোৱা নাই কি কম পাহীলা মনতো
পৰা নাই
কি'কম পাহীলা অগিনি বলাইছে কি'কম পাহীলা
গাত।

---

## ( সুৰ বীণ )।

কৈঁহি কি এ্কি কি কৈঁহি কি ঐ কৈঁহি কি একিকি কৈঁহি
কি ঐ কৈঁহি কি একি কি কৈঁহি কি একিকি কি।
কি কি ঐ কৈঁহি কি একিকি কৈঁহি কি ঐ কিকি কি॥

খেমালী নিছিগে কেঁহি কি ঐ খেমালী নেভাগে কেঁহি
কি ঐ খেমালী চেনেহৰ্ কেঁহি কি ঐ জবি।
এনো যে খেমালী কেঁহি কি ঐ এবিম্ বা কেনেকৈ
কেঁহি কি ঐ বামে সনেতাপত্ কেঁহি কি ঐ মৰি॥

( সুৰ ঐ )।

তিতা যে ঐ কেৰেলা লহতে যে পহতে
মিঠা যে ঐ নহলি কিয।
হাবিৰ যে বনে মানুহ লহতে যে পহতে
সকরা বা লহলি কিয়।
তোৰে মোৰে একেটি ভাঁর॥





## (সুৰ ঢোল ও তাল)। যোজোনা—

লেটিয়াই চুৰিয়া পিন্ধিব নেলাগে ঐ
হিয় কৈ নলবি ছাটি—
নেদেখা দেশত ময় দেখি থৈ আছি ছোঁ।
গৰুৰে প নী খোৱা বাতি
"ওৰা" ঢোল মাৰঁা।—
ঘিন্ খিটা বিঘিন্ দাঁও দাঁও খেটি টিঘিন্ দাঁও।
দাঁও টিখিৰ্ খিটা ৰিঘিন্ দাঁও দাঁও খেটি টিঘিন্
দাঁও দাঁও টিখিৰ খিটা ৰিঘিন্ দাঁও ঘিন খিটা
খেটি ঘিন্ দাঁও দাঁও (আকৌ মাৰঁা।)
গিনি গিগিন্ দাঁও দাঁও গিগি নিটি গিগিন্ দাঁও
খেটি গিগিন্ দাঁও গিন্. গিগিনিগি নিটি ঘিনি
গিগিনিটি গিগিন্ দাঁও ঘিন্, ঘিন্খিটা খেটি
ঘিনি টিঘিন্ দাঁও ঘিন্,—ঘিন্ দাঁও টিঘিন্
দাঁও ধুমুক দাঁও, এদি দাঁও, তাং ঘিনি টিঘিন্

দাঁও দিন্ দাঁও ধুমুক দাঁও এদি দাঁও, ভাং গিনি
টিঘিনি—
টি থেটি ঘিনি টিঘিন্ দাঁও ঘিন্ দাঁও ধুমুক
দাঁও এদি দাঁও দিদাডে দি দাঁও দাঁও
থেতি গিগিন্ দাঁও ঘিন্ ট্।



( সুৰ আগঠেলা যোজোনা পাছ
ঠেলা নাচনি ও ঢোল ও তাল )।

ওলায় জকে মকে হাবিৰ বন কুকুৰা ঐ
ওলায় যে জকে মকে তৰা।
ওলায় যে জকে মকে হনুমান্ যে কেশৰী
কিৰিং। যে পৰ্ব্বতৰে পৰা॥ (ঢোল মাৰাঁ লাগতে)

বিন ঘিনি টিঘিন্ দাঁও ঘিন্ দাঁও দাঁও
খেটি বিনি টিঘিন্ দাঁও খিন্ দাঁও দাঁও
বিন্ ঘিনি টিঘিন্ দাঁও খেটি ঘিনি টিঘিন্ দাঁও ঘিন্ট্।






( সুৰ যোজোনা )।

ঢোলে বাক কৰি বাবি তয় চুলীয়া ঐ ঢোলৰো নেজান চেৱ—কটাৰ পুতুলীয়া জনা নাই কিয়া উঠিছে নাচনিব্ দেৱ। ( দীঘলীয়া চেৱেৰে ঢোল মাৰা )।

ঘিন্ঘিটা ঘিটা ঘিটা টিঘিৰ্ ঘিটা ঘিটা ঘিটা

(যত বাৰ পাৰঁ।) টিখিৰ্ খিটা টিখিৰ্ খিটা খেটি গিগিন্ দাঁও দাঁও ধুমুক দাঁও এদি দাঁও দিদাংেদি দাঁও দাঁও (যত বাৰ পাবঁ।) টুখুতাং খুপ্ তাং দিন্ খিটা খেটি ঘিন দাঁও দাও খুপ্ তাং টুখু তাং ঘিন খিটা খেটি ঘিন্ দাও দাঁও (যত বাৰ পাৰঁ।) ঘিন্ ঘিনি ঘিনি তাং ঘিন্, ঘিন্ ঘিনি ঘিনি তাং ঘিন্, ঘিন্ গিনি গিনিতাং খুপতাং দিন খিট খেটি দিন দাঁও দাঁও (যত বাৰ পাৰ।) গিগিনিটি গিগিনিটি গিগিনিটি গিগিন্ দাঁও খেটি গিগিন্ দাও দাঁও ধুমুক দাঁও এদি দাঁও দিদাংেদি দাঁও দাঁও (যত বাৰ পাৰ।) ধুমুক দাঁও এদি দাঁও দিদাংেদি দাঁও ধুমুৰ্ ধুমুৰ্ ধুমুৰ্ দাঁও দিদাংেদি দাঁও দাঁও (যত বাৰ পাৰ।) পাছত ৮২ পৃ ৰ পাছৰ খণ্ড চেৱ মাৰি সামৰঁ।।



# ( সুৰ বেহালা )।

শুনিছাঁনে জানো কোনে কৰি হা হা হা।
[illegible]াৰে লৰ অতি থৰ নেদেখাই গা॥
[illegible] ও বাকু কোনে পাবোঁ পাৰ আগে যা।
[illegible]দ ভৰি থৰ কৰি আগলই চা।
ওৰা বুলি দুৰা তুলি যাই আহা হা।
[illegible]লা বাঁলা লগে চলা তানা না না না।





আহা আহা মন মোহা আচৰিত্ত মেলা।
কল ধৰি বল কৰি খেলে কিবা খেলা॥
যাগ আবেলিকা বেলা। কিনো কুকুৰৰ খেলা॥




হায়ৰে কানীয়া ভাই, কেনে মজা কানি খায়।
কাৰ গাত আছে দাই, নিজে নিজে মৰ খায়।
মৰিলিৰে চেপা খাই, এবাবৰ বুদ্ধি নাই।
পাবি যমপুৰে ঠায়, আৰু তোৰ মুক্তি নাই।
এবোয়াঁও বুলি ভাই, আহিলোঁ কুকুৰে খাই,
নিলে ভুমি উলিয়াই, ঐৰে কানীয়া ভাই।
কিয় মৰ কানি খাই, হায় ৰে হায়, হায়—
কানি খাবি মজা পাবি আছে কাৰ দাই।
খাবি বুলি আগি তুলি তোক দিয়া নাই॥
নিজে নিজে মাতিলিযে যমলই চাই।
যম দুত আহি যোত দিলে বহুবাই॥

মৰ ভাই কানি খাই কাৰ গাত দাই।
বল নাই খাই খাই ৰাগী ধৰি যায়—
নিজ দোষে ৰাহু মুখে পৰিলিবে ভাই।
কানি খোৱা এনেকুৱা দেখা দেখা ভাই।
তেও মৰ কানি খায়।
অকনি গিয়ান নাই॥

---

ধন্যা কলীদৈ টেমা মাজেদি
উঠিছা নাগুৰ মুৰে।
কালৰূপ ধৰি সবাকে সংহৰি
পঠাইছা যম পুৰে॥
ধূৱা ধোৱাৰূপ কিনো অপৰূপ
পেটত ওলমে লিঙ্গ।
সোপাগাৰি চাই যদি টান পাই
লিঙ্গত মাৰিব পিড॥
পাণ ৰূপ ধৰি উঠি তদোপৰি
হোৱাঁ তাৰ পাছে ধূৱাঁ।
মলাৰূপ ধৰি বাটী মাজে পৰি
পানীত মিহলি হোৱাঁ॥

ফটা কাপোৰত হই লেটপট
ফটাকানি নাম লোৱাঁ।
তব শাসনত মহা ৰাজা নত
হয় পাছে ভৰি ধূৱা॥




ভাং্ক চোৰা। কেনেহুৰ,
কানীয়াৰ খোন।
কানি নাই নিৰোপায়
বেঁকা, পিঠি পোন,—॥

পিঠ্যোপৰি  বোঝা ধৰি
স্থূৰ বিছে গুণ।
ভাগি কটি  এনে গতি
ভেঙ্গুৰীয়া ধূন।
বে'চ বে'চ  বে'চ পে'চ
বোঝা চাৰি যোণ।
কানি খোৱা  কেনেকুৱা
"ধেন্ দুন এদুন দুন্"॥

ঘাডা দেখোঁ  তেতে লেখোঁ
কানীয়াৰ নাও।
বাগী ধৰি  গপ কৰি
আনা বৰ্জি খাও॥
এতিয়ানো  কিয় জানো
কৰোঁ কাণ্ড-বাণ্ড।
এনে বাগী  বল ভাগি
হাঁহি "হাও হাও"॥
কেনে মজা  কানিভজা
টিকিবাটি খাঁও।

বাক বাক দিয়াঁ আক
"নিনিটি ঘিঁদাঁও" ॥





## ( সব পেঁপা )।

[illegible]ন খায় কানীয়া চা চা বহিলা কেনেনো
[illegible] চা চা বলিলা কুকুরা গোবিছে চা চা
বলিলা [illegible]।

কোনতো বাপেকে চা চা বহীলা ছানে [illegible]
কুকুৰ। চা চা বহালা কিনো আপদৰে চা চা
বহীলা কাল ॥

টিঁ টুল টুল টুল টাঁহি টুল টুল টুল টিঁ টুল টুল টুল
টাঁহ টুল টুল টুল টিঁ টুল টুল টুল টাঁহি টুল টুল টুল টাই।
( ঘূৰাই গাৰাঁ এয়ে এচেন্ন )

টিং টুল টুল ল্ল', টাঁত্তি টুল টুল ল্ল' টিং টুল টুল ল্ল'
টাঁতি টুল টুল ল্ল'. টিং টুল টুল ল্ল' টাঁতি টুল টুল ল্ল' টিং
( ঘূৰাই মাৰঁা এয়ে এচেৰ )

কানীয়া ইঘৰি কানীয়া সিঘৰি
কোন ঘৰি কানীয়া ঘৰ—
কানি খাই থাকোঁতে পাটিৰে তিকতা
লোকলৈ মাৰিলে লৰ।

পাঠক! এনে বিলাক গীত শুনি খং নেখাব।
আমাৰ "প্ৰেমতী"য়ে কানীয়াক ভাল নেপায়।
সেই গুণেহে এনেকুৱা গীত গাইছে।

"অ' ভাই কানীয়া চাই চাই বুলিবি বাট, তেমাৰে
ভিতৰত আছে খালে বামে পিছলি পৰিবি তাত।
অ' ভাই কানীয়া চাই চাই বুলিবি বাট।"

একে এলে হুৱা কানীয়া নহুৰা
পদৱী কৰিলি গ্ৰাহ।
এই যে আসাম কৰিলি শ্মশান
সাজিলি দুখৰ বাহ।
অ'ভাই কানীয়া চাই চাই বুলিবি বাট,

টোমাৰে ভিতৰত আছে থালে বামে পিছলি
পৰিবি তাত,
অ' ভাই কানীয়া চাই চাই বুলিবি বাট।
হায়! হায়! হায়! দেখি ধাতু যায়
কানি বন্দুকৰ ফেৰ।
ভূঁত প্ৰেত খেদি ত্ৰিভুবন ভেদি
আপদেৰে দিলি মেৰ।
অ'ভাই কানীয়া চাই চাই বুলিবি বাট,
টোমাৰে ভিতৰত আছে থালে বামে পিছলি
পৰিবি তাত,
অ' ভাই কানীয়া চাই চাই বুলিবি বাট।
ধিক! ধিক! ধিক! নৰকও অধিক
কানীয়া প্ৰাণত ধিক!
যেই জনে ভাই কানি খোৱা নাই
তেঁও হে মানুহ ঠিক।
অ' ভাই কানীয়া চাই চাই বুলিবি বাট,
টোমাৰে ভিতৰত আছে থালে বামে পিছলি
পৰিবি তাত,
অ' ভাই কানীয়া চাই চাই বুলিবি বাট।

# কেইটি মান ঝুমুৰি গান।

মনের কথা কাকে বল্‌ব বঁধু কোথা গেল হে,
যমুনা পুলিনে বন প্ৰাণ বঁধু তাতো নাই হে।
(ঢোল) টিম্না গেটিং টাং টাং।

ফুল্ ফুটে ঝিকিমিকি সুৰুয ফুটে আলো হে,
প্ৰাণ দেখে প্ৰাণ ফুটে কেমন্ মজা ভালো হে।
ঝাগনা ঝা ঝা ঝাগনা ঝা ঝা টেৰে কেটে
তা ধিন্।

হায় ৰে হায়—প্ৰাণ বেৰাই দেহাৰ মাঝে মন
বেৰাই কোথা লো,
মুখের মাত নাহি সৰে কি বলিব কথা লো।
ধা ধিন্‌তা ধা ধিন্‌তা টেৰে কেটে তা ধিন্।

( এটা মতুলীয়া )।

"খিলি খায়কে মিলি যায়কে পাণ খায়কে গান্।
তামাক্ খায়কে কোছ্ নাইখে মুখেই শুখান্॥
চুৰঠ খায়কে পুৰঠ হো-কে মুখে লাগে ভাল।
গাঞ্জা খায়কে লক্ষ্মী চাৰা দুখে যায় কাল॥
সিদ্ধি খায়কে বুদ্ধি মিলে কানি খায়কে ঝোকে।
মদ্ খায়কে মাত্তালীয়া কুকুৰ মফিক্ ভোকে॥"

হাট্ যাও গোয়াৰ্ সব্ হাম্ যাতা তোম্—
নাহি দেখ্তা আঁখ ৰেহ্কে লাগায়েগা চাৰ্ বেঁত
তব্ তো জান্ যাওগে হামাৰা তাগদ্।
কেইচা মাফিক্ হ্যায় হাম্ ৰাজকো মালিক্॥
পথিক। "ক্যা বক্ বক্ কৰ্তা হো"?

"চুপ্ ৰহ এইছা মাফিক্ আওৰ মত কহ।
নাহি জান্তা হাম্ তো ৰাজা লেই যাঙ্গে ধৰ্কে।
মাজা কৰতা সাজা দে-কে চিধ কৰ্কে চোৰেগা।
তব্ তো ইয়াদ্ হ'গা ফিন এইছে নাহি বলেগা।"॥

"মেৰা খুছিকা বাট, হাতীকা দাঁত, মাৰ্ দেঙ্গে লাঠ্,
টুৰ্ লেঙ্গে দাঁত্, লেই যাঙ্গে জেলুয়াৰকা সাথ্"।

"হাম্‌তো ৰাজা দেখ্তা মাজা মদ্ ফাটকা খায়কে।
জান্‌তা নাহি আওৰ্ চাহি দেনে চেক লায়কে।
পিতে ৰেঙ্গে তব্ তো হঙ্গে মহাৰাজন্ যায়কে।
এইছা কোন্ হাম্‌কো যোন্ ধৰ্নে চেক আয়কে"।
"চুপ্ যাও হ"।—





# কেইটি মান অঙ্ক।

এটা ল'ৰাই এজন বুঢ়াক শুধিলে—"আপ
আপোনাৰ বয়স এতিয়া কিমান হৈছে ?"
বুঢ়াই মাত লগালে—"বোপা !
মোৰ বয়স যিমান সিমান তোমাৰ বয়স লৈ,
অৰ্দ্ধ ভাগ ললে মানে বৰ পুহে হয়।
দুবছৰীয়া আনটিয়া আছে নটাপু।
তোমাৰ সমান বয়সৰ মোৰ সৰুপু।
সৰু পুৰ বয়স বোপা একত একে যত,
যেতিয়া ওপজে মাজু মোৰ বয়স তিন তত"।

উত্তৰ—১০৪ পৃঃ চোৱাঁ। ১

এটা মানুহে বজাৰলৈ গৈ ডোমুনীক মাছৰ দৰ
সুধাত ডোমুনীয়ে ক'লে—
"ক'ম যত দিবি তত মাছৰ মূৰত।
কিছা টোত দিবি তাৰ অৰ্দ্ধ, তিন তত॥
কিছাই মূৰে যত আক গাত দিবি তত,
গাৰ দৰ টকাত্ টকা"। মাছৰ দৰ কত ?

উঃ—১০৪ পৃঃ চোৱাঁ। ২

এটা গৰখীয়াক "তয় কিমান গৰু ৰাখ" বুলি সুধাত সি ক'লে—

"ৰাখোঁ যত আৰু তত পাওঁ যদি ভাই,
চাৰি চাৰি চৌৱালিশ হ'ব সমুদায়"।

উত্তৰ—১০৪ পৃঃ চোৱাঁ। ৩



## প্ৰেম বিষাদ।

হায়ৰে কপাল বিধি যম কাল
লিখিলি কুক্ষণে ধৰি,
বজ্ৰৰ সমান লেখনিটি টান
তাতে আৰু টান কৰি,

হ'ব অনাথিনী চুকাফা নন্দিনী
আজলী আসাম আই।
কিনো পাপ হায়, কৰিলে ভৱায়
দুখুনীৰ সুখ নাই॥
চুকাফা, চুতেফা, চুবিন্‌ফা, চুখাংফা
আদি আসামৰ পিতা,
যাতে এৰি গ'ল মৃতা প্ৰায় হ'ল
আজলী আসাম মাতা।
তেও যেই হ'ক কৰি জকমক্‌
হিয়া জ্যোতি কণ্ঠহাৰ
আছিলে শোৱাই চিগি গ'ল হায়
কি ক'ম জেউতি তাৰ!
শঙ্কৰ, মাধৱ, ৰত্ন, বলদেৱ,
হেমচন্দ্ৰ, লম্বোদৰ,
ৰাম স্বৰস্বতী, আনন্দ সংস্কৃতী
পানীন্দ্ৰ জেউতি ধৰ,
হায়, কেনি গ'ল উদণ্ডিনী হ'ল
আজলীৰ কণ্ঠস্থল।
সাহিত্য উদ্যান ক'ত জ্যোতিমান!
ক'ত নৱ পৰিমল!!

আমাৰে বা কিয় কম্পমান জীৱ
সাহিত্য হাবিত পৰি,
দিশ হেৰুৱাই অকাই পকাই
মৰোঁ হায় হায় কৰি!
হায়! ই আসাম নহ'লনে শ্মশান
চতুৰ্দ্দিকে অন্ধকাৰ?
নিষ্ফল আমাৰ এই ঘৰ দ্বাৰ
কণ্ঠমণি পৰিহাৰ,
যেতিয়াই হ'ল সৰ্ব্ব কথা গ'ল
উচিত বনত বাস।
হায় ৰে কপাল! নিনিয়েও কাল
ক্ষণে কৰি সৰ্ব্বনাশ॥



# আসাম-বিষাদ।

"হায় ভাগ্যে এয়েইহে আছিল আমাৰ
পুত্ৰ থাকি অপুত্ৰকা পথ-কাঙালিনী!
অবিশ্ৰান্ত বৈ মোৰ শোক অশ্ৰুধাৰ,
তিতিছে বসনময় কিনো দুৰ্ভাগিনী!
স্বৰ্গদেৱ চুকাফাই নিজৰ বাহুত
ৰাখিছিলে সংস্থাপিতা অতি স্নেহভৰে।
শৰীৰত অলঙ্কাৰ মহাৰ্ঘ সংযুত।
শোভা পাই হাঁহিছিলে, যেন সৰোবৰে
হাঁহি হাঁহি সৰোজিনী মৃণাল আসনে
আকাশী কুসুম প্ৰতি কৰে বিদ্ৰূপন।
বহিছিলোঁ ওথাসনে আনন্দিতা মনে;
বিৰিঙি সৌন্দৰ্য্য মোৰ মোহিত ভুবন।
তাদৃশ আসাম ময় পতিত পাবনী,
জীয়াতে শ্মশান তলে হলোঁ পৰিণীতা।
দিবানিশি জলে মোৰ শোকৰ অগনি
সুকোমল হৃদি মাজে, ৰাবনৰ চিতা
প্ৰজলিত যেনেকই কৰ্ণৰ কুহৰে।
কতনো সহিম হায় ঠাইনি নেপাও;

উঃ উঃ আক জ্বলে দম্ দম্ কৰে।
হায়, অ' বিধতা মই কি কৰি মুমাঁও ?
ক'তনো দেখিছা কোনে ক'তনো শুনিছা,
পুত্ৰ থাকি জননীৰ এনেনো বিলয় ?
হায় আমি উদঙ্গিনী জীবনেই মিছা
শৰীৰত, চাৰি ফালে অন্ধকাৰ ময়।
নাই মোৰ পূৰ্ব্ব ভাব পূৰ্ব্ব বেশ লেশ
পূৰ্ব্বাসন পূৰ্ব্বধন তাদৃশ ক্ষমতা।
মাথোঁ। এই অস্থি চৰ্ম্ম আছে অৱশেষ ;
জীবিতা তথাপি ময় শ্মশানৰ মৃতা।
আছিল ভাণ্ডাৰ পূৰ্ণ অমূল্য ৰতন
হীৰা মুক্তা কাঞ্চনাদি। অতুল বিভৱ
পূৰ্ণ ভাণ্ডাৰত মোৰ অগণনা ধন ;
হায় আজি তেনেজনা পথৰ ভিক্ষুৱ ! (ভিক্ষুৱা)।
কোনেনো শুনিব ক'লে কোনে পাতিয়াব
পুত্ৰ থাকি জননীৰ এনে নো বিলয় ?
ধিক্ মোৰ পুত্ৰগণ ! জীয়াৰ অবাব
তঁহতৰ সংসাৰত, মৰাই নিশ্চয়।
নাই নাই ভক্তি ভাৱ মাতৃৰ কাৰণে
লেশ মাত্ৰ মোৰ পুত্ৰ বোলা অযুগুত।

হ'ল এনে গতি পূৰ্ব্ব পুত্ৰ অবিহনে ;
পদে পদে চতুৰ্দ্দিকে আপদ সংযুত।
আশ্চৰিত আশ্চৰিত অতি আশ্চৰিত !
কেশৰী গৰ্ভত ললে শৃগাল জনম।
কবিলে "খিৰিক" শুনি ভয়ে হৃৎপিত ;
তঁহতৰ বাহুবল কোৱাই শৰম।

নিহালিৰ তলে শুই থাক মৰা প্ৰায়
সুৰাপান কৰি। মোৰ শোক তীক্ষ্ণ তীৰ
ভেদাইছ শৰীৰত আগতেই চাই।
মাতৃ বুলি অকনিকে নাই অনুৰাগ ;
ধৰিছ কেবল মাথোঁ। বিদেশীৰ ভেশ।
ছিঃ ছিঃ গৰ্ভে জন্ম মোৰ ললে থাহী ছাগ !
নেথাকিব তঁহতৰ আপদৰ শেষ।
কেনেনো সাহিত্য বিদ্যা শিল্প ৰসায়ণ
গণনা বিজ্ঞান, তাৰ একো চৰ্চ্চা নাই।

পশুপ্ৰায় তৃণাহাৰ কৰি তুষ্ট মন।
তঁহত পশুৰ একো প্ৰভেদেই নাই।
ৰহস্য সংগীত প্ৰেম নাই জ্ঞানাজ্ঞান ;
আছ মাথোঁ কোটৰত মুৰ সোমুৱাই।
ধিক্ ধিক্ তঁহতৰ জীৱনত ধিক।
কিয়নো ধৰিছ প্ৰাণ ভিক শৰীৰত ?
ক'লেবা লাগিব লাজ নৰ্কও অধিক ;
পদে পদে পাই আছ বুজিবি পাছত !"

---

অঙ্কৰ উত্তৰ।—প্ৰথমটোৰ ৫২ বছৰ। দ্বিতীয়টোৰ ১৬॥০ অনা। তৃতীয়টোৰ ২২২২ টা গৰু।




সম্পূৰ্ণ। ৬ অঘোন ১৮২৮ শক।